# বৰভগীয়ান

বৰভাগ মহাবিদ্যালয় আলোচনী

৪০ তম্ প্ৰকাশ ● ২০১৬-১৭ ইং বৰ্ষ



তত্ত্বাৱধায়ক
চন্দন কলিতা

সম্পাদক
তাজিমউদ্দিন আহমেদ

বৰভগীয়ান ৪০ তম্ প্ৰকাশ ● ২০১৬-১৭ ইং বৰ্ষ | সম্পাদকঃ তাজিমউদ্দিন আহমেদ

# উৎসৰ্গা

অমানৱীয় দৈন্যতাবোৰ পাহৰি
মহাবিশ্বৰ মহাবিশালতাৰ মাজত
সৃষ্টিৰ মহামাহাত্ম্যৰ প্ৰতি শ্ৰদ্ধাশীল
হৈ আত্মশুদ্ধিৰ কঠিন বাটেৰে ঈশ্বৰ
প্ৰাপ্তিৰ দিশত আগবাঢ়িব বিচৰা
সকলৰ হাতত...

হে মহাবিদ্যালয়
বৰভাগ মহাবিদ্যালয়

শত শত সেৱকৰ শ্ৰমেৰে জীৱনৰ
গঢ়িছোঁ সবেঁই মিলি
মিলনৰ এই মহামন্দিৰ।
তুমি জ্ঞানৰ আলয়, তুমি প্ৰাণৰ আলয়...
তুমি বৰভাগ মহাবিদ্যালয়।




প্ৰজ্ঞা আমাৰ সাধনা
প্ৰজ্ঞা আমাৰ চেতনা
এই সাধনাৰে গঢ়ো এখন সমাজ
সততা-সাহস আৰু নৈতিকতাৰে গঢ়া
এই সমাজ আমাৰ কামনা।
তুমি জ্ঞানৰ আলয়, তুমি প্ৰাণৰ আলয়...
তুমি বৰভাগ মহাবিদ্যালয়।

নাই প্ৰতাৰণা- নাই প্ৰৱঞ্চনা
ভাস্কৰ জ্যোতিৰে হ'ব আলোকিত
আজি নতুন পুৰুষ... দিগন্ত হ'ব শ্যামলিমা
আহা সবে মিলি গাও এক নৱ বন্দনা
প্ৰজ্ঞা আমাৰ সাধনা, প্ৰজ্ঞা আমাৰ চেতনা...
তুমি জ্ঞানৰ আলয়, তুমি প্ৰাণৰ আলয়...
তুমি বৰভাগ মহাবিদ্যালয়

নাই বিৰাম- নাই শ্ৰান্তি
আহা শ্ৰদ্ধাৰে সেৱকৰ দল
স্ৰজো আমি জ্ঞানৰ আলয়, প্ৰাণৰ আলয়...
বৰভাগ মহাবিদ্যালয়।

# ৪২ ৰ গণ আন্দোলনৰ বৰভাগৰ বীৰ সন্তান শ্বহীদ মুকুন্দ কাকতিলৈ শ্ৰদ্ধাৰ্ঘ্য



●১৯১৯-১৯৪২ (ইং চন)

হে বৰভগীয়া
মুক্তিকামী
মৃত্যুবিজয়ী
সেনানী
অগ্ৰগামী
তোমালৈ যাচো
শ্ৰদ্ধাৰ্ঘ্য প্ৰাণৰ
স্বদেশ-স্বজাতিৰ
মান ৰাখিবলৈ
অনায়াসে দিলা
প্ৰাণ-বলিদান
মাতৃপূজাৰ
সৈনিক তুমি
বৰভগীয়াৰ
স্বাভিমান
আহা সৱে মিলি
জ্বলাও চাকি
উজ্বলাই ৰাখো মান
তুমি বৰভগীয়ান
তুমি বৰভগীয়ান...।

- সম্পাদনা সমিতি

# তত্ত্বাৱধায়কৰ কলম



পাতনিতে যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু সেৱাৰ বিনিময়ত বানে গৰকা এই বৰভাগ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান বৰভাগ মহাবিদ্যালয়ে গৌৰবোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ গৰকিলেহি সেইসকল মৃত আৰু জীৱিত সমাজহিতৈষীৰ শলাগ লোৱাৰ লগতে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। জন্মলগ্নৰেপৰা সীমিত সম্পদেৰে, স্থানীয় ৰাইজ আৰু চৰকাৰৰ সহযোগত বৃহত্তৰ বৰভাগ তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰাবলৈ বৰভাগ মহাবিদ্যালয়ে অক্লান্ত শ্ৰম কৰি আহিছে। এই মহাবিদ্যালয় বৰভগীয়া ৰাইজৰ হিয়াৰ আমঠু, আশা ভৰষাৰ থল, প্ৰজন্ম গঢ়াৰ কঠিয়াতলী। এই মহাবিদ্যালয়খনিক আমি সজাই পৰাই ৰাখিব লাগিব, সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তুলিব লাগিব। তাৰ বাবে বৰভগীয়া ৰাইজ, মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিগৰাকী সদস্য আৰু ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ সজাগতা আৰু সহযোগিতাৰ একান্ত প্ৰয়োজন আছে।

প্ৰতিখন শিক্ষানুষ্ঠানে পাৰ্শ্ববৰ্ত্তী একো একোটা অঞ্চলৰ বৌদ্ধিক নেতৃত্ব বহন কৰে। এই ক্ষেত্ৰত প্ৰতিখন শিক্ষানুষ্ঠানৰ এক গধুৰ দায়িত্ব যে পুথিগত শিক্ষাদানৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক আৰু সামাজিক চেতনাবোধ জাগ্ৰত কৰাৰ লগতে তেওঁলোকৰ মনত এক সুস্থ-প্ৰতিযোগিতাৰ ভাব গঢ়ি তুলি বহিৰ্বিশ্বৰ লগত ফেৰ মাৰিব পৰা ধৰণে, পৰিচিত হ'ব পৰা ধৰণে আনুসঙ্গিক আৰু ব্যৱহাৰিক জ্ঞানৰ জৰিয়তে আৰু এক সামগ্ৰিক শিক্ষাৰ মাধ্যমেৰে একো-একোজন সুস্থ আৰু কৰ্মঠ নাগৰিক সৃষ্টি কৰা। এনে কৰিব পাৰিলে প্ৰত্যেক শিক্ষানুষ্ঠানেই এখন সুস্থ আৰু শক্তিশালী সমাজ গঢ়ি তোলাত অনবদ্য অৱদান আগবঢ়াব পাৰে। এই ক্ষেত্ৰত বৰভাগ মহাবিদ্যালয় কিমান দূৰ অগ্ৰসৰ হব পাৰিছে সেইয়া বিচাৰ কৰাৰ দায়িত্ব ৰাইজৰ হাতত এৰি দিলো।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰধানতঃ ছাত্ৰ-ছাত্ৰীৰ শিল্প-সাহিত্যৰ সাধনা আৰু বৌদ্ধিক চৰ্চাৰ এখন মঞ্চ। এই মঞ্চখনৰ উচিত ব্যৱহাৰৰ জৰিয়তে ইচ্ছুক আৰু প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীসকলক শিল্প সাহিত্য চৰ্চাৰ লগতে বৌদ্ধিক অনুশীলনৰ সুযোগ দি ভৱিষ্যতৰ সু-লেখক, শিল্পী-সমালোচক, নিবন্ধকাৰৰ জন্ম দিয়াটোৱেই তাৰ সফলতাৰ পৰিমাপক। প্ৰতিভা বিকাশৰ এই দিশসমূহৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত আগ্ৰহ জন্মাব পৰাটো আলোচনী খনৰ এক বিশেষ সফলতা।

২০১৬-১৭ বৰ্ষৰ বৰভাগ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী খনত সম্পাদনা সমিতিৰ সন্মতি সাপেক্ষে কিছু সংযোজন-বিয়োজন ঘটাই কিছু নতুনত্ব আনিবলৈ চেষ্টা চলোৱা হৈছে। ইয়াৰ উদ্দেশ্য হ'ল আলোচনী খনক অধিক আকৰ্ষণীয় কৰি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলা, যাতে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চাৰ প্ৰতি আকৰ্ষিত কৰি আলোচনী খনৰ উদ্দেশ্য সাধন কৰাৰ লগতে এইখনক এক উল্লেখযোগ্য পৰ্যায়লৈ উন্নীত কৰিব পৰা যায়। এই ছেগতে ২০১৬-১৭ ইং বৰ্ষৰ বৰভাগ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্ব পালনৰ বিভিন্ন সময়ত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ফনীধৰ ডেকা, ২০১৬-১৭ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ইউনুচৰ ৰহমান আৰু ২০১৭-১৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ড° ধনেশ্বৰ বৈশ্য, আলোচনী বিভাগৰ সম্পাদক তাজিমউদ্দিন আহমেদ, সম্পাদনা সমিতিৰ উপদেষ্টামণ্ডলী আৰু সদস্য-সদস্যা আৰু মহাবিদ্যালয় পৰিয়ালৰ সদস্য-সদস্যাসকলে যি সহযোগিতা আগবঢ়ালে তাৰবাবে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ তত্ত্বাৱধায়কৰ কলমৰ সামৰণী মাৰিলোঁ।

— চন্দন কলিতা
তত্ত্বাৱধায়ক

# ভূমি সংস্কাৰ কৃষিভিত্তিক উদ্যোগ স্বনিয়োজন



✍ পৃথ্বীভূষণ ডেকা

কৃষকৰ কৃষিভূমিৰ লগত এক দীঘলীয়া ইতিহাস, ৰাজনীতি জড়িত হৈ আহিছে, যাৰ বাবে আজি পৰ্য্যন্ত বিশেষকৈ অসমত 'কৃষিভূমি' কৃষকৰ উপযোগী হৈ উঠা নাই। যিটো সমগ্ৰ কৃষিক্ষেত্ৰ বিকশিত নোহোৱাৰ, সকলো সম্ভাৱনা থকা সত্ত্বেও কৃষিক্ষেত্ৰত ৰাজ্যখন আগুৱাব নোৱাৰাৰ প্ৰধান কাৰণ বুলি আমি অনুভৱ কৰো।

অসম ৰাজ্যখনৰ অৰ্থনীতি প্ৰধানতঃ কৃষি ভিত্তিক। কৃষিক কেন্দ্ৰ কৰিয়েই আমাৰ সমাজ, সংস্কৃতি, উত্তৰণ সকলো আগবাঢ়িছে। কৃষিখণ্ডত এতিয়াও ৰাজ্যখনৰ গৰিষ্ঠসংখ্যক ব্যক্তি আৰু পৰিয়াল নিৰ্ভৰশীল তথা নিয়োজিত হৈ আছে। কৃষিক বাদ দি অন্য ক্ষেত্ৰত উদ্যোগ গঢ়াৰ বাবে প্ৰয়োজনীয় কেঁচামালৰ বাবে অন্যাৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়। অন্য স্থানৰ পৰা কেঁচামাল সংগ্ৰহ কৰি উদ্যোগ গঢ়োতে সামগ্ৰী সৰবৰাহৰ ব্যয় যথেষ্ট কম হয়। আনহাতে কেঁচামাল যোগানৰ বজাৰখনো মুষ্টিমেয় কেইজনমান ব্যৱসায়ীৰ দখলত থকাত সামগ্ৰীৰ মূল্য অনিয়ন্ত্ৰিত হৈ থাকে। একে দৰে উদ্যোগ গঢ়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঠনি আৰু প্ৰযুক্তিগত সা-সুবিধা ৰাজ্যখনত যথেষ্ট দুৰ্বল। এনেধৰণৰ বহু কাৰণত ৰাজ্যখনৰ উদ্যোগীকৰণৰ ক্ষেত্ৰখন বহু পিছ পৰি আছে আৰু 'উৎপাদনকাৰী' নহৈ 'উপভোক্তা' অঞ্চল হিচাপে চিহ্নিত হৈ আহিছে। তেনে এক পৰিস্থিতিত অজস্ৰ প্ৰত্যাহ্বান নেওচি, এতিয়াও কৃষিক্ষেত্ৰতে স্ব নিয়োজনৰ বহু লোক জড়িত হৈ আছে আৰু জীৱিকা নিৰ্বাহৰ সংগ্ৰাম চলাই আছে। অজস্ৰ প্ৰত্যাহ্বানত হাবুডুবু খাই বছৰি ক্ৰমবৰ্ধমান হাৰত কৃষকে কৃষিক্ষেত্ৰৰ পৰা আঁতৰি আহিছে, নতুন প্ৰজন্মৰ মাজত কৃষিক্ষেত্ৰক লৈ অনীহা বৃদ্ধি হৈছে। বছৰি বিভিন্ন আঁচনিৰ অধীনত অজস্ৰ ধন ব্যয় কৰা সত্ত্বেও ৰাজ্যখনত 'ক্ষুদ্ৰ কৃষক' ৰ সংখ্যা হ্ৰাস হৈ 'উপান্ত কৃষক' ৰ সংখ্যা বৃদ্ধি হোৱাৰ চৰকাৰী তথ্যই এনে ঋণাত্মক পৰিবেশ-পৰিস্থিতিৰ সত্যতা প্ৰমাণ কৰিছে।

আমাৰ ৰাজ্যখন প্ৰাকৃতিক পৰিৱেশ আৰু ভৌগোলিক অৱস্থিতি কৃষিক্ষেত্ৰৰ বাবে ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অধিক উপযোগী। কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় সম্পদখিনি ফলপ্ৰসূ ভাৱে ব্যৱহাৰৰ উপযোগী কৰিব পাৰিলে কৃষকসকল যথেষ্ট লাভৱান হব পাৰে আৰু নতুন প্ৰজন্মৰ বাবে জীৱিকা নিৰ্বাহৰ উপায় হিচাপে গঢ় লৈ উঠিব পাৰে, যিয়ে ৰাজ্যখনৰ অৰ্থনীতি টনকিয়াল কৰাত মুখ্য ভূমিকা ল'ব পাৰে। কিন্তু ৰাজ্যখনত কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক সম্পদ 'ভূমি' আৰু 'পানীৰ' সুপ্ৰয়োগৰ ব্যৱস্থাপনা আৰু প্ৰয়োজনীয় নীতি

নিৰ্দেশনা এতিয়ালৈ 'কৃষকৰ উপযোগী' নোহোৱাত কৃষি ক্ষেত্ৰখন সাংঘাতিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। যাৰ বাবে সকলো থাকিও কৃষি ক্ষেত্ৰৰ ঋণাত্মক গতি পৰিলক্ষিত হৈ আহিছে। কৃষি কাৰ্যৰ বাবে প্ৰধান সম্পদ হ'ল 'ভূমি'। যাৰ অবিহনে কৃষিকাৰ্য উদ্যোগ হিচাপে গঢ়ি তোলাতো অসম্ভৱ। কৃষি 'ভূমি' ৰ ভিত্তিতে কৃষকৰ শ্ৰেণী বিভাজন কৰা হৈছে। বৃহৎ বা উচ্চ (১০ হেক্টৰৰ ওপৰত), মধ্যমীয়া ( ৪ ৰ পৰা ১০ হেক্টৰলৈ), সাধাৰণ মধ্যমীয়া (২ ৰ পৰা ৪ হেক্টৰলৈ), ক্ষুদ্ৰ (১ ৰ পৰা ২ হেক্টৰলৈ), উপান্ত (১ হেক্টৰৰ তলত) কৃষক হিচাপে শ্ৰেণী বিভাজন কৰা হৈছে। অসমৰ প্ৰতিখন জিলাতে উপান্ত কৃষকৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈ আহিছে, যিটো অতি উদ্বেগজনক কথা। কৃষকৰ কৃষিভূমিৰ লগত এক দীঘলীয়া ইতিহাস, ৰাজনীতি জড়িত হৈ আহিছে, যাৰ বাবে আজি পৰ্য্যন্ত বিশেষকৈ অসমত 'কৃষিভূমি' কৃষকৰ উপযোগী হৈ উঠা নাই। যিটো সমগ্ৰ কৃষিক্ষেত্ৰ বিকশিত নোহোৱাৰ, সকলো সম্ভাৱনা থকা সত্বেও কৃষিক্ষেত্ৰত ৰাজ্যখন আগুৱাব নোৱাৰাৰ প্ৰধান কাৰণ বুলি আমি অনুভৱ কৰো। আনহাতে কৃষিভূমিৰ লগত জড়িত ইতিহাস, ৰাজনীতিৰ বিষয়ে জ্ঞান আৰু সজাগতাও সমাজত যথেষ্ট কম বুলি ধাৰণা হয়। যিহেতু বিষয়টো অতি দীঘলীয়া আৰু বিশাল, এই আলোচনাত সকলোবোৰ দিশ সামৰাটো সম্ভৱ নহয়। তথাপি চমুকৈ কৃষিভূমিৰ লগত জড়িত কিছুমান বিষয় উপস্থাপন কৰিব বিচাৰিছোঁ, যিয়ে কৃষিক্ষেত্ৰত স্ব নিয়োজনৰ প্ৰধান প্ৰত্যাহ্বানসমূহ বিশ্লেষণ কৰাত তথা সমাধানৰ দিশে আগবঢ়াত সহায়ক হব পাৰে।

### ভূমি, প্ৰকৃতিৰ সৰ্বোত্তম বৰঙণিঃ

ইংলেণ্ডৰ বিখ্যাত অৰ্থনীতিবিদ ডঃআলফ্ৰেডমাৰ্শ্বালে তেখেতৰ গ্ৰন্থ Principles of Economics ত ভূমি সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে, 'ভূমি কেৱল এটা শব্দই নহয়, ই মানৱ কল্যাণৰ বাবে প্ৰকৃতিয়ে মুক্তভাৱে প্ৰদান কৰা আৰু সকলো পদাৰ্থ আৰু শক্তি, যেনে মাটি, পানী, বতাহ, পোহৰ উত্তাপ সকলো সামৰি লয়।' প্ৰকৃতিয়ে মাটিত, মাটিৰ ওপৰত বা তলত প্ৰদান কৰা সকলো শক্তিকে 'ভূমি' য়ে সামৰি লয়।

সকলো সম্পদৰ মূল ভিত্তি আৰু উৎস হ'ল ভূমি। প্ৰকৃতিৰ মুক্ত উপাদান ভূমি সদায় সীমিত আৰু স্থায়ী হিচাপে স্থিতিশীল। অসংখ্য ধৰণৰ মাটি এই পৃথিৱীত দেখা যায়, যাক অন্য সম্পদৰ দৰে সম্পূৰ্ণ ধ্বংস কৰা অসম্ভৱ।

এখন সমাজৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান নিৰ্ভৰ কৰে সমাজখনৰ কৃষি, ব্যৱসায়, উদ্যোগৰ অৱস্থাৰ ওপৰত। কৃষি, ব্যৱসায়, উদ্যোগ নিৰ্ভৰ কৰে সেইখন সমাজৰ সমাজৰ প্ৰাকৃতিক সম্পদৰ ওপৰত। প্ৰাকৃতিক সম্পদৰ সমগ্ৰ ধাৰণাটোৰ মূল কেন্দ্ৰ বিন্দু হ'ল ভূমি। গতিকে ভূমিয়েই হল বিকাশৰ কেন্দ্ৰত থকা সম্পদ বা বিষয়। এই ভূমিক লৈয়ে অতীজৰে পৰা যুদ্ধ, শোষণ, শাসন, উত্থান, পতনৰ ইতিহাস জড়িত হৈ আছে। জনগণৰ সম বিকাশৰ বাবে ভূমিৰ সম-বিতৰণ, সুপ্ৰয়োগৰ উদ্দেশ্যৰে তথা দাবীত ইতিহাসৰ বিভিন্ন মুহূৰ্ত্তত, বিশ্বৰ প্ৰান্তে-প্ৰান্তে বিভিন্ন ঘটনা-পৰিঘটনা সংঘটিত হৈ আহিছে, যাক 'ভূমি-সংস্কাৰ আন্দোলন' হিচাপে জনা যায়। অসমতো ভূমি সংস্কাৰ আন্দোলনৰ দীঘলীয়া ইতিহাস আছে, যাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সকলোধৰণৰ কৃষক বিদ্ৰোহৰ ইতিহাস জড়িত।

### থোৰতে 'ভূমি সংস্কাৰ আন্দোলন' ৰ বিশ্ব ইতিহাসৰ আৰম্ভণিঃ

খ্ৰীঃপূঃ ১৩৩ চনত ৰোমত ৰাজনৈতিক যুদ্ধ আৰম্ভ হৈছিল ভূমি সংস্কাৰক কেন্দ্ৰ কৰিয়েই। ৰোমান চিনেটে ভূমিৰ ওপৰত কৰ আৰোপ কৰাৰ লক্ষ্যৰে অনুমোদন জনোৱা নীতিক কেন্দ্ৰ কৰিয়েই আৰম্ভ হৈছিল মহা বিদ্ৰোহ, যাৰ পৰিণতিত ৰোম ৰিপাব্লিক বিধ্বস্ত হৈছিল। ইজিপ্তত তেনে মহা-বিদ্ৰোহ আৰম্ভ হৈছিল, কাৰণ তাত ধৰ্মীয় স্থানৰ ভূমিক কৰ ৰেহাই আৰু সকলো সুবিধাজনক ভূমি ধৰ্মযাজক সকলক প্ৰদানৰ নীতি লোৱা হৈছিল। মুছলিম বিশ্বত খ্ৰীঃপূঃ ৭১৮ চনত স্পেইনত আৰম্ভ হৈছিল বিদ্ৰোহ, যেতিয়া মুছলিম লোকৰ সম্পত্তি খ্ৰীষ্টান লোকৰ হাতলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।'অল হুৰি' ৰ নেতৃত্বত আৰম্ভ হৈছিল বিদ্ৰোহ। একেদৰে খ্ৰীষ্টিয়ান সমাজতো যাজক আৰু উচ্চ শ্ৰেণীক ভূমিৰ কৰ ৰেহাই দিয়াক লৈ মহা বিদ্ৰোহ আৰম্ভ হৈছিল। শিল্প বিপ্লৱ আৰম্ভ হোৱাৰ পিছত ভূমি আৰু অধিক মূল্যৱান হৈ উঠিল আৰু ভূমি কেন্দ্ৰিক বিবাদ সকলোতে আৰম্ভ হৈছিল। এনেদৰে ভূমি সংস্কাৰৰ দাবী, নীতিক লৈ বিদ্ৰোহ বিশ্বৰ প্ৰান্তেপ্ৰান্তে কেইবা শতিকা ধৰি চলি আহিছে।

### ভাৰতবৰ্ষত ভূমি সংস্কাৰৰ চমু ইতিহাসঃ

অবিভক্ত ভাৰতবৰ্ষত প্ৰাক সাম্ৰাজ্যবাদৰ সময়ছোৱাত ভূমি প্ৰধানতঃ ৰজাৰ কৰ্তৃত্বত আছিল। ৰাজ আদেশত

বিভিন্ন স্থানত উচ্চ পদবীৰ ৰাজ বিষয়া, ধৰ্মযাজক ইত্যাদিক চৰ্ত সাপেক্ষে ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰিছিল। প্ৰধানতঃ দুই প্ৰকাৰৰ ভূমি আছিল - সাৰ্বজনীন ভূমি (য'ত সকলোৰে সুবিধা গ্ৰহণ কৰিব পাৰে, যেনে পুখুৰী, ঘাঁহনি, দলনী আদি) আৰু ধৰ্মযাজক বা ৰাজ বিষয়া অধীনস্থ ভূমি। শিষ্য উৎপাদনৰ বাবে সৰ্বসাধাৰণক বিষয়াৰ কৰ্তৃত্বত থকা ভূমি চৰ্ত সাপেক্ষে প্ৰদান কৰা হৈছিল। বিনিময়ত উৎপাদিত শস্যাৰ অংশ পৰিশোধ কৰিব লাগে। মোগলৰ ৰাজত্বৰ কৰ সংগ্ৰহৰ প্ৰক্ৰিয়া কিছু কঠোৰ ৰূপত বলবত হ'বলৈ আৰম্ভ কৰিছিল। সেই সময়ৰ ভূমি নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলী বিশ্লেষণ কৰিলে দেখা যায় যে মাটিৰ মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণ ৰজাই নিয়ন্ত্ৰণ, শাসন, শ্ৰেণী বিভাজন, দমন আৰু ৰাজ পৰিচালনাৰ ক্ষেত্ৰত প্ৰধান অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।

সাম্ৰাজ্যবাদী ব্ৰিটিছে ভাৰতবৰ্ষত ভূমিৰ ক্ষেত্ৰত বৃহৎ পৰিৱৰ্তনৰ আৰম্ভণি কৰিছিল। প্ৰথম পদক্ষেপ হিচাপে ভূমি ব্যক্তিগত সম্পদ হিচাপে আৰু কিনা-বেচা কৰিব পৰা সামগ্ৰী হিচাপে (Commodification) গঢ়ি তুলিছিল। 'জমিদাৰী প্ৰথা' আৰম্ভ কৰি ৰাজহ সংগ্ৰহৰ নতুন ব্যৱস্থা আৰম্ভ কৰিছিল। জমিদাৰ সকলক বৃহৎ অঞ্চলৰ মালিকীস্বত্ব দি ৰাজহ সংগ্ৰহৰ ক্ষমতা প্ৰদান কৰাত শোষণ, অত্যাচাৰ তীব্ৰ গতিত বৃদ্ধি কৰিছিল। স্বাধীনতা আন্দোলনৰ সমান্তৰাল ভাৱে জমিদাৰী প্ৰথা বিলোপৰ দাবীত কৃষক বিদ্ৰোহ আৰম্ভ হৈছিল। কৃষক বিদ্ৰোহৰ সময়তে ব্ৰিটিছে নতুন নতুন আইন বলৱত কৰিবলৈ আৰম্ভ কৰিছিল, ব্ৰিটেইন উদ্যোগত প্ৰয়োজনীয় কেঁচামাল উৎপাদনৰ ক্ষেত্ৰ গঢ়ি তুলিছিল। জৱাহৰলাল নেহেৰুৰ আলোচনাৰ অন্তত কৃষক সকলে স্বাধীনতা সংগ্ৰামত জড়িত হৈছিল। জমিদাৰসকলক নেহেৰুৱে 'The Spoilt Children of the British Government' বুলি অভিহিত কৰিছিল। ১৯৩৬ ছাত ভাৰতীয় কৃষক কংগ্ৰেছৰ প্ৰথম সভাপতি স্বামী সহজানন্দই 'জমিদাৰী প্ৰথা বিলুপ্ত নোহোৱা পৰ্য্যন্ত কোনো আপোচ সম্ভৱ নহয়' বুলি ঘোষণা কৰাত কৃষক বিদ্ৰোহে ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। এনেদৰে প্ৰাক স্বাধীনতা যুগত 'ভূমি সংস্কাৰ' ৰ দাবীত তীব্ৰ বিদ্ৰোহ আৰম্ভণি হৈছিল।

## স্বাধীনোত্তৰ কালত ভূমি সংস্কাৰঃ

স্বাধীনতাৰ পিছত ১৯৪৮চনত 'Agrarian Reform Committee'গঠন কৰা হয় আৰু ভূমি সংস্কাৰৰ নীতি প্ৰস্তুত কৰা হয়। ১৯৪৯ চনত সংবিধান অনুসৰি ভূমি ৰাজ্যৰ অধীনস্থ হোৱাত কেন্দ্ৰই ৰাজ্যসমূহক কেন্দ্ৰীয় নীতি অনুসৰি ভূমি সংস্কাৰৰ কাম-কাজ আৰু আইন প্ৰস্তুতিৰ ক্ষমতা প্ৰদান কৰে আৰু কৃষকৰ ভূমি সম্পৰ্কীয় সমস্যা সমাধানৰ বাস্তৱসন্মত পদক্ষেপ ল'বলৈ আহ্বান জনায়। স্বাধীনোত্তৰ কালত এতিয়ালৈকে ভূমি সংস্কাৰৰ লক্ষ্যৰে প্ৰায় ৩০০খন আইন বিভিন্ন ৰাজ্যত বলবৎ কৰা হৈছে। এনে আইনসমূহ বিশ্লেষণ কৰিলে প্ৰধানতঃ চাৰিধৰনৰ আইন দেখা যায়ঃ

প্ৰথম পৰ্যায়ৰ আইনসমূহ ৰায়ত স্বত্ব, দ্বিতীয় পৰ্যায়ৰ আইনসমূহ - মধ্যভোগীৰ অৱসান সম্পৰ্কীয়, তৃতীয় পৰ্য্যায়ৰ আইনসমূহ ভূমিৰ উচ্চ সীমা(celing on land) সম্পৰ্কীয় আৰু চতুৰ্থ পৰ্য্যায়ৰ আইনসমূহ কৃষকক প্ৰদান কৰা ভূমি সমূহ একত্ৰীকৰণ কৰি একে স্থানতে প্ৰদান কৰা (Consolidation of Land) সম্পৰ্কীয়।

প্ৰায় সকলো ৰাজ্যই ভূমি সংস্কাৰৰ আইন প্ৰণয়ন কৰিছে যদিও যথেষ্ট আসোৱাহপূৰ্ণ হৈ থকা দেখা যায়। যাৰ ফলত পূৰ্বৰ মালিক সকলে অন্য পন্থাৰে ভোগ দখল কৰি থকা সম্ভৱ হৈ উঠিছে আৰু ব্যৱস্থাটোত কৃষকে বিচৰা ধৰণৰ সংস্কাৰ সম্ভৱ হৈ উঠা নাই। ধনী শ্ৰেণীটোৱে সুবিধা একেদৰেই গ্ৰহণ কৰিবলৈ সক্ষম হৈ আছে, তথ্য পাতি অদল-বদল কৰি বিশাল ভূমিৰ মালিকীস্বত্ব একেদৰেই বাহাল ৰাখিবলৈ সক্ষম হৈছে। স্বাধীনতাৰ কেবা দশক পিছতো পৰিস্থিতি যে ভয়াবহ হৈয়ে আছে, ২০১২ চনত সৰ্বভাৰতীয় অনুষ্ঠান 'একতা পৰিষদে'প্ৰকাশ কৰা প্ৰতিবেদনৰ তলত উল্লেখ কৰা তথ্যসমূহে তাকেই প্ৰমাণ কৰে।

-ভাৰতবৰ্ষত ৪৩ শতাংশ (43%) পৰিয়াল এতিয়াও প্ৰায় ভূমিহীন(০.২ হেক্টৰৰ তলত) পৰিয়াল

- ১৩ শতাংশ (13.34%) দলিত আৰু ১১.০৫ শতাংশ (11.5%) ট্ৰাইবেল পৰিয়াল একেদৰে ভূমিহীন

-প্ৰায় ১.৩৩ শতাংশ (1.33%) ভূ স্বামীয়ে এতিয়াও ১৫.২০ শতাংশ (15.20%) ভূমি দখল কৰি আছে।

-৬৩ শতাংশ (63%) উপান্ত কৃষকৰ দখলত মাত্ৰ ১৫.৬০ শতাংশ (15.60%) ভূমিহে আছে।

-ভূমিহীন দলপতিৰ সংখ্যা ১৯৭৭-৭৮ চনৰ ৫৬.৮ শতাংশ (56.8%) বৃদ্ধি হৈ ৬১.৯ শতাংশ (61.9%) হৈছে একেদৰে ট্ৰাইবেল পৰিয়াল ৪৮.৫ শতাংশ (48.5%)ৰ পৰা বৃদ্ধি হৈ ৪৯.৪ শতাংশ (49.4%) হৈছে।

গতিকে দেখা যায় ভূমি সংস্কাৰৰ পদক্ষেপ সমূহে কৃষকৰ ভূমি সম্পৰ্কীয় সমস্যা আঁতৰাব পৰা নাই।

## অসমত ভূমি সংস্কাৰঃ

'Systematic colonization' সম্পৰ্কীয় ব্যাখ্যাত মাৰ্ক্সে পুঁজিপতিৰ গোপন নীতি এনেধৰণৰ বুলি উল্লেখ কৰিছে - "Let the government set an artificial price on the virgin soil, a price independent of supply and demand , a price that compels the immigrant to work for a long time for wages before he can earn enough money to buy land and turn himself into an independent farmer." ।১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে (ইষ্ট ইণ্ডিয়া কোম্পানী আৰু বাৰ্মিজ সেনাৰ মাজত ) পৰিকল্পিত ভাবে ব্ৰিটিছ সাম্ৰাজ্যত অন্তৰ্ভুক্ত কৰা অসমত তেনে এক কুট নীতিৰে ব্ৰিটিছে আৰম্ভ কৰিছিল ভূমিক শোষণ , শাসনৰ অস্ত্ৰ হিচাপে ব্যৱহাৰৰ প্ৰক্ৰিয়া । তাৰ আগতে অসমত আহোমৰ শাসনকালত ধৰ্মাযাজক, বিদ্বত ব্যক্তি , ধৰ্মানুষ্ঠান আদিক কৰ বিহীন ভাবে ভূমি আবণ্টন দিয়া হৈছিল আৰু পাইক প্ৰথা , খেল পদ্ধতি আদিৰে কৃষি কাৰ্যৰ বাবে নাগৰিকক ভূমি আবণ্টন দিয়া হৈছিল। ব্যৱহৃত ভূমিৰ বিনিময়ত ৰাজ-শাসনত প্ৰয়োজনীয় সেৱা আগবঢ়াবলৈ প্ৰতিটো পৰিয়ালক পদ্ধতিগত ভাবে জড়িত কৰা হৈছিল । ব্ৰিটিছে তেনে পদ্ধতি বাতিল কৰি কৰ আৰোপ কৰিছিল আৰু মাটিৰ শ্ৰেণী বিভাজন কৰিছিল। ব্ৰিটিছে প্ৰধানতঃ তিনি ভাগত মাটিৰ শ্ৰেণী বিভাজন কৰিছিল, বস্তি(বাৰী-বস্তিৰ বাবে), ৰূপিত (ধান উৎপাদনৰ উপযোগী), আৰু ফৰিঙতি (ওখ মাটি য'ত তুলনামূলক ভাবে কম মূল্যৰ শস্য উৎপাদন হয়)। ধৰ্মানুষ্ঠানসমূহক প্ৰদত্ত মাটি কৰ বিহীন মাটি 'দেৱোত্তৰ' হিচাপে, (লাখেৰাজ), ব্ৰাহ্মণক প্ৰদত্ত মাটিত আধা কৰ আৰোপ কৰা হিচাপে (নিস্ফীখেৰাজ) হিচাপে আৰু অন্যান্য ভূমিক সম্পূৰ্ণ কৰ যুক্ত (খেৰাজ) হিচাপে ঘোষণা কৰিছিল। ইয়াৰ বিপৰীতে ব্ৰিটিছে দখল কৰা চাহ বাগিচা সমূহক পতিত ভূমি হিচাপে প্ৰায় কৰ বিহীন ঘোষণা কৰিছিল । এনেদৰে অসমত ভূমি শোষণ, শাসনৰ এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰাত ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো কৃষক বিদ্ৰোহৰ জুই জ্বলিছিল।

স্বাধীনতাৰ পিছত কেন্দ্ৰীয় ভূমি সংস্কাৰৰ নীতি অনুসৰি অসমত নিম্ন লিখিত আইনসমূহ গ্ৰহণ কৰা হলঃ

১) The Assam Adhiar Protection and Regulation Act, 1948.

২) The Assam state Acquisition of Jamidari Act, 1951.

৩) Lushai Hills District (Acquisition of slides Rights , Act), 1954

৪) The Fixation of ceiling on land holding Act, 1956

৫) The Assam state Acquisition land belonging to Religions and institution of Public nature Act 1956

৬) The Assam Consolidation of holding Act, 1960

৭) Temporary settled area Act, 1971

এনেধৰণৰ আইন প্ৰণয়নৰ জৰিয়তে ৰাজ্যখনত ভূমি সংস্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও বহু আসোৱাহপূৰ্ণ নীতি-নিয়মে সুফল দিব পৰা নাই কৃষকক। অসম চৰকাৰে ১৯৭৪ চনতে প্ৰণয়ন কৰা The Assam Land and Revenue Regulation (Ammendment) অনুসৰি ৩০ তা অঞ্চলক ট্ৰেইবেলবে'ল্ট ঘোষণা কৰা হৈছিল। কিন্তু সৰহভাগ ঠাইতে আইন উলংঘা হোৱা দেখা গৈছে।

চিলিংএক্টৰ জৰিয়তে মাটি অধিগ্ৰহণ কৰা হল, বহু ঠাইত ভূমিহীন ৰ মাজত বিতৰণ কৰা হল। কিন্তু ভূমিৰ পাত্তা এতিয়ালৈ প্ৰদান কৰা নহ'ল। ভূমি সংস্কাৰৰ পদক্ষেপ হিচাপে অতিশয় গুৰুত্বপূৰ্ণ বিষয় আছিল 'consolidation of holding'গছৰ জৰিয়তে এজন কৃষকক একে ঠাইতে ভূমি প্ৰদান কৰিব বিচৰা হৈছিল। যাতে একে ঠাইতে কৃষকজনে সুবিধাজনক ভাবে কৃষি উৎপাদন কৰিব পাৰে। ১৯৬১ চনৰ সেই উদ্দেশ্যে প্ৰণয়ন কৰা আইন অনুসৰি চৰকাৰে ১৯৬৯-৭০ চনৰ মাত্ৰ ৪১ খন গাঁৱত ২০০5 বিঘা মাটিৰ একত্ৰীকৰণ বন্দোৱস্ত কৰিছিল। ১৯৬৯ চনৰ জুন মাহৰ পৰা এতিয়ালৈ তাক কাৰ্যকৰী কৰা নহ'ল। ১৯৭৩ চনত পুনৰ নীতি প্ৰণয়ন কৰা হল যদিও কাৰ্যকৰী নহ'ল।

যাৰ ফলত প্ৰায়ভাগ কৃষকৰ কৃষিভূমি বিভিন্ন দিশত বিস্তাৰিত হৈ আছে। ফলত কৃষকে সকলো ঠাইতে জলসিঞ্চনৰ সুবিধা, সুৰক্ষা, কৃষিৰ প্ৰস্তুতি আদিত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। ইচ্ছুক ব্যক্তিয়ে কৃষি ভিত্তিকস্থ নিয়োজনৰ পৰিকল্পনা কৰিও থমকি ৰব লগা হয়। এটা উদ্যোগ যেনেকৈ এটা চৌহদত সকলো সুবিধা উপস্থাপন

কৰি উৎপাদন কৰিব পাৰে, কৃষিক্ষেত্ৰত তেনে সুবিধা প্ৰয়োজন। ‘কৃষি সমবায়’ সংগঠনেৰে তেনে পৰিকল্পনা কৰা হৈছিল যদিও বিভিন্ন কাৰণত সেয়াও স্তিমিত হৈ থাকিল। এনে পৰিস্থিতিত চাহ বাগিচা, কেইখনমান কৃষি পামৰ বাহিৰে ৰাজ্যখনত কৃষি উদ্যোগ গঢ়ি উঠা দেখা নগ’ল। বৰঞ্চ কৃষকসকলে প্ৰতিকূল পৰিস্থিতি, প্ৰত্যাহ্বানত থাউৰিব নোৱাৰি লাহে লাহে কৃষিক্ষেত্ৰৰ পৰা আঁতৰি অহাহে দেখা গৈছে।

গতিকে কৃষি ভিত্তিকস্ব নিয়োজনৰ পৰিবেশ ৰচনাৰ বাবে ৰাজ্যখনত ‘ভূমি সংস্কাৰ’ৰ ক্ষীপ্ৰব্যস্ততা কৰাটো অতি প্ৰয়োজনীয়। লক্ষ্য লক্ষ্য নিবনুৱাৰ ঠাহ খাই থকা আমাৰ ৰাজ্যখনত কৃষি ভিত্তিকস্ব নিয়োজনৰ ব্যৱস্থা নাই বুলি আমি অনুভৱ কৰোঁ। প্ৰাকৃতিক ভাৱেও তেনে সম্ভাৱনা আৰু সুযোগ যথেষ্ট আছে। মাথো চৰকাৰী নীতি আৰু কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজন। অন্যথা কেৱল ৰাজ সাহায্য প্ৰদান, প্ৰশিক্ষণআদিৰেকৃষি বিপ্লব, স্ব নিয়োজন আদিৰ পৰিকল্পনা সপোন হৈয়ে থাকি যাব।ৰাজ্যখনত শিক্ষিত লোকসকলে ভূমি সংস্কাৰৰ নীতি নিয়ম, পদক্ষেপ, আইন আদিত সচেতনতাৰে কৃষকক সংগঠিত কৰি, আইন প্ৰণেতা সকলক হেঁচা প্ৰদানৰ অতীৱ প্ৰয়োজন হৈছে। ভূমি সংস্কাৰৰ আঁসোৱাহসমূক আঁতৰাব নোৱাৰিলে, কৃষকক একে স্থানতে ভূমি প্ৰদানৰ ব্যৱস্থা কৰিব নোৱাৰিলে, এদিন সকলো কৃষকে কৃষি ত্যাগ কৰিবলৈ বাধ্য হব আৰু আমি আমাৰ খাদ্যৰ ক্ষেত্ৰত চিৰদিন পৰাধীন হৈ পৰিম। কৃষকৰ এনে মৌলিক সমস্যাসমূহ আঁতৰোৱাৰ ক্ষেত্ৰত সমাজত সচেতনতা, জ্ঞান-বৃদ্ধিত সকলোৰে জড়িত হ’লে ৰাজ্যখনত কৃষি ভিত্তিক স্ব-নিয়োজন, পুৰা মাত্ৰাই সম্ভৱ। তেনে প্ৰচেষ্টাত সকলো সচেতন ব্যক্তিৰে সক্ৰিয় ভূমিকা কামনা কৰিছোঁ। ■

*লেখক গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰীৰ সঞ্চালক*



# অতীত বৰ মধুৰ আছিল

✍ ডাঃ ফৰিদুৰ ৰহমান

তেতিয়া অসম আন্দোলন তুংগত। তেজ দিম, তেল নিদিম,বহিৰাগতক বহিষ্কাৰ কৰিমেই বুলি কঁপাইছিলোঁ। দুৰ্ভাগ্যবশতঃ আজিও তেল গৈ থাকিল, তেজ দি থাকিলোঁ। বহিৰাগত সকলে অসমীয়াৰ পাকঘৰত গুণ-গুণাই আছে ''ছাদেৰ লাউ, বনাইল' বৈৰাগী।'' আমি নীৰৱ দৰ্শক।

ইংৰাজৰ শাসনকালত নিৰ্মাণ কৰা ব্ৰিটিছ চাহাবৰ নামত নামকৰণ কৰি থৈ যোৱা বৰভাগৰ যাতায়ত ব্যৱস্থাৰ ৰাজহাড়স্বৰূপ অন্যতম অতি পুৰণি পথ 'বগলচ্ ৰোড' যিটো পথ কালাগ হাটখোলা চুই গৈছে। সৰু কালৰ পৰা সেই পথটো হিয়াৰ আমঠু য'ত ল'ৰালি কালত দিনটোৰ বেছি সময় খেল-ধেমালি বা মাছ-পুঠি ধৰি কটাইছিলোঁ। বন্ধুবৰ্গৰ সহিতে খেলি খেলি ভাগৰি পৰি তাৰ দুয়ো কাষৰ সৌন্দৰ্যত অভিভূত হৈ হিয়াৰ দাপোণত কত যে কল্পনা কৰিছিলো। পথটোৰ দুয়ো কাষে থকা চকুৰে মনিব নোৱাৰা পথাৰ দুখনত ভৰ বাৰিষাৰ ঢৌ খেলা দেখি মনতে সাগৰ বুলি ভাবি বহল মনৰ অধিকাৰী হ'বলৈ সেই সময়তে প্ৰেৰণা পাইছিলোঁ।

আঘোণ মাহত ৰাতিপুৱা নিয়ৰৰ ভৰত সেও মনা সোণালী পথাৰৰ দৃশ্য দেখি আপ্লুত হৈ পথাৰৰ দুয়ো কাষে চাই চাই শান্তিৰ সম্পূৰ্ণ অসমখনৰ ছবি ল'ৰালি কালত কিমান যে আঁকিছিলো। পুহমাহত সোণালী সোণগুটি পথাৰৰ পৰা চপাই আনি ঘৰৰ চোতালত দম কৰি থৈছিলো। মাঘৰ বিহুৰ আগে আগে মৰণা মৰা কাম শেষ কৰি ভৰাঁলত সোণগুটি সোমাই ৰাখি সপোন দেখা আৰম্ভ হৈছিলহে মাথোন।

১৯৬৪ ইং চনৰ কথা। মাঘ বিহুৰ পাচতে এদিনাখন গধূলি পঞ্চাছজন মান স্থানীয় মানুহ আহি আমাৰ ঘৰত সোমাই কলেজ্ এখন স্থাপন কৰাৰ কথা কৈছিল।ককাদেউতাই মোক দেখুৱাই দি কৈছিল ''বৰ ভাল কথা। আমাৰ ই সেইখন কলেজতে এদিনাখন পঢ়িব।'' কেইমোনমান ধান জুখি তেখেতসকলক দিয়া দেখিছিলোঁ। আমি তেতিয়া সৰু ল'ৰা। বাংনাবাৰী মোক্তাব স্কুলত পঢ়ি আছো। নাজানোঁ কিয় আমাৰ ঠাইত কলেজ স্থাপন হ'ব বুলি জানি মনতে বৰ আনন্দ পাইছিলোঁ। কলেজখনৰ আৰম্ভণিতে বহুতো মানুহে তেজক পানী কৰা দেখিছিলোঁ। গৰু গাড়ী লৈ চৌদিশে  দান বৰঙণিৰ বাবে ঘুৰি ফুৰাও প্ৰত্যক্ষ কৰিছিলোঁ। আজিও সেই কথাবোৰ মনত পৰে।

সেই মহান ব্যক্তিসকলৰ হাড়ভঙা কষ্টৰ ফচলেই হ'ল আজিৰ সুন্দৰ, সুঠাম, সোণালী জয়ন্তী গৰকা বৰভাগ মহাবিদ্যালয় য'ত আমিও পঢ়িবলৈ সুযোগ পাইছিলোঁ। হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ কমাৰ-শাল। অতীতৰ সেই দিনবোৰলৈ বৰকৈ মনত পৰে। সেই সময়ত মানুহৰ হাতত টকা কড়ি নাছিল। ভাল খেতিয়কসকলকেই ধনী মানুহ বুলি ধৰি লোৱা হৈছিল। তেনে স্থলত এখন কলেজ প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰা বৰ সহজ কথা নাছিল। ৰাইজৰ বহুতো ত্যাগৰ ফলতহে সেই কাম কৰিবলৈ সামৰ্থ হৈছিল। তেওঁলোক সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ। যিসকল মহান ব্যক্তি এই ধৰাৰ পৰা গুছি গ'ল তেওঁলোকৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলো।

তেতিয়াৰ পৰিৱেশ আৰু আজিৰ পৰিৱেশৰ মাজত আকাশ-পাতালৰ দৰে পাৰ্থক্য দেখা যায়। তেতিয়া মানুহৰ মাজত মিলাপ্ৰীতিও বেছি আছিল। আন্তৰিকতা আছিল পৰস্পৰৰ মাজত। সেইসময়ত মোৰ গাওঁ ৰণাকুছিত (আজিকালি বাংনাবাৰী) একেখন স্থানতে কবৰস্থান আৰু শ্মশান বিৰাজমান আছিল। চোঁতালত কলপাতৰ চামিয়ানা দি মাজত আঠীয়াকল গছ পুতি তলত বেজী, সূতা, পাতী-পইচা দি বিয়া পাতি ৰভাৰ তলত আই-মাতৃসকলে হাঁহি-ধেমালিৰ সমল যোগোৱাৰ লগতে দুটি পৱিত্ৰ মনৰ বিবাহিত জীৱন সুখময় কৰাৰ অনেক উপদেশেৰে ভৰা বিয়া গীত গাই আনন্দ কৰিছিল। হিন্দু ধৰ্মাৱলম্বী লোকৰ তুলনাত পূজা স্থলীত ওজাপালি চাবলৈ যোৱা মুছলমান মানুহৰ সংখ্যা বেছি আছিল বা ঈদৰ নামাজ উপভোগ কৰিবলৈ হিন্দু ধৰ্মাৱলম্বী লোকৰ ভিৰ দেখা গৈছিল। মাঘ বিহু মেজি জ্বলাবৰ সময়ত আমাৰ গাঁওত বাস কৰা অতি কমসংখ্যক হিন্দু ধৰ্মাৱলম্বী মানুহৰ তুলনাত অসংখ্য মুছলমান মানুহ উপস্থিত হৈছিল।অভূতপূৰ্ব দুই ধৰ্মাৱলম্বী লোকৰ মিলনস্থলী বৰভাগৰ সেই ৰণাকুছি গাওঁ "ৰাম-ৰহিম"ৰ একচেটিয়া দেশ আছিল যেন অনুভৱ হৈছিল। আজি মোৰ হিয়াৰ দাপোণত জিলিকি উঠিছে সেই সময়ৰ বৰভাগ অঞ্চলৰ সেইখন ৰণাকুছি গাওঁ যাক মই কোনোদিনে পাহৰিব নোখোজো। কেঁচা মাটিৰ গোন্ধ সনা সেই মৰমবোৰ ৰক্তবাহী সিৰা-উপসিৰাবোৰেৰে কলিজাৰ মাজত সোমাই লুকাভাকু খেলে। তেতিয়াৰ শান্তিপ্ৰিয় মনৰ মানুহসকলক য'তেই নাথাকো কিয় প্ৰায় সপোনত ল'গ পাওঁ। হাঁহি হাঁহি আজিও ধাতা, ধাতী, ফুত, গিৰা শব্দবোৰ ব্যৱহাৰ কৰি যেন তেওঁলোকৰ লগত কথা কওঁ।

যান্ত্ৰিক যুগত আজি হালোৱা গৰু নোহোৱা হ'লনে মানুহৰ সময় নোহোৱা হ'ল নে ৰাজহুৱা পুখুৰীবোৰত গৰুক গা ধুৱাবলৈ নিষেধাজ্ঞা জাৰি কৰা হ'ল বুজি নাপাওঁ। বৰভাগৰ প্ৰায়বোৰ অঞ্চলত দুৰ্গাপূজা, লক্ষ্মী পূজা আৰু ঈদ উপলক্ষে মঞ্চস্থ হোৱা চিৰাজ, সাঁকো, লালচাদ, মচনদ, শ্বহীদকাৰ ৰালা নাটসমূহ কালৰ গৰ্ভত বৰভাগৰ পৰাই হেৰাই গ'ল নেকি বুলি কাকনো কৰো প্ৰশ্ন। সেইসময়ত মহিলাৰ ভাওত অভিনয় কৰা পুৰুষসকলৰ দুই এজনক আজি বুঢ়াৰ ৰূপত কেতিয়াবা লগ পাওঁ। তাহানিত ডেকা যুৱকে ছোৱালীৰ অভিনয় কৰা নিভাঁজ সমাজখন পৰিষ্কাৰ কৰিবলৈ গংগাৰ পানীৰ প্ৰয়োজন নাছিল। আজি আমাৰ গাঁৱৰ নামঘৰৰ পৰা অতি মৰমৰ আপোন আপোন লগা ডাঙৰ ডাঙৰ ঢোল, নাগাৰা, বৰতালৰ শব্দবোৰ ভাহি আহি কাণত নাবাজে। মানুহসকল এলেহুৱা হ'লনে পুৰণা কলা সংস্কৃতিৰ বাহকসমূহৰ ওজন কঢ়িয়াব নোৱাৰা হ'লো নে ভৰ বাৰিষাৰ বানে সেইবোৰ উটুৱাই নিলে গমকে নাপালো। মেজিৰ দীঘ আৰু পুতল কমি আহি শুকাই ক্ষীণাই যোৱাৰ কাৰণ বিচৰাৰ বাবে যন্ত্ৰ সদৃশ মানৱৰ সময় নাই। লগ-ভাত খোৱা কলপাতৰ ঘৰকেইটাও লাহে লাহে অদৃশ্য হ'ল। ভোজ পাতৰ নাম আকৌ ডিচ হ'ল।

> আমি কলেজত পঢ়ি থকা সময়ত জাতি-ধৰ্মৰ কথা কোনোদিনে আলোচনা কৰা হোৱা নাছিল। চৌদিশে শান্তি, সম্প্ৰীতি আদি সমন্বয় বিৰাজমান আছিল। দাড়ি, টুপি, গেৰুৱা বস্ত্ৰ, ত্ৰিশূলৰ মাজতো যেন ভাতৃত্ববোধ আছিল। আজি ওলোটা ছবি আমাৰ চকুত ভাহি উঠে।

আজিকালি খেল বুলিলে কেৱল ক্ৰিকেট। কুতকুতী হাউ, ধোৰাহাউ, ধোপ, হাথা-বন্তা, আদি আমি খেলা খেলবোৰৰ নাম-নিচান নোহোৱা হ'ল। কম্পিউটাৰৰ সকলো পদ সামগ্ৰীকে চিনি পোৱা ভাটৌসদৃশ আজিৰ বোপাইহঁতে চিনি নাপায় চেং মাছ, কতাহবাহ, হালোৱাৰ লৰু আদি। ইংৰাজী মাধ্যমত পঢ়া বাবে মাক-বাপেকেও সেই শব্দবোৰ শিকাবলৈ লাজ পায়। ফটা ঢোলৰ ছবি আঁকিবলৈ দিলে সন্তানে যে ফটা ঢোলৰ কল্পনাই কৰিব নোৱাৰে সেই কথা ভবাৰো কাৰো আহৰি নাই।

আমি কলেজত পঢ়ি থকা সময়ত জাতি-ধৰ্মৰ কথা কোনোদিনে আলোচনা কৰা হোৱা নাছিল। চৌদিশে শান্তি, সম্প্ৰীতি আদি সমন্বয় বিৰাজমান আছিল। দাড়ি, টুপি, গেৰুৱা বস্ত্ৰ, ত্ৰিশূলৰ মাজতো যেন ভাতৃত্ববোধ আছিল। আজি ওলোটা ছবি আমাৰ চকুত ভাহি উঠে। আজি যেন মাৰ্বল পাথৰেৰে নিৰ্মিত মছজিদ আৰু মন্দিৰত আল্লাহ আৰু ভগৱানে নিজ নিজ পথত গমন কৰে। সমন্বয় কেৱল বাতৰি কাকতসমূহত মন্ত্ৰীয়ে দিয়া উপদেশবানীত পৰিণত হ'ব ধৰিছে। শিক্ষিতৰ সংখ্যা বাঢ়ি যোৱাত পৰস্পৰে পৰস্পৰক বুজি নোপোৱা হ'ল নেকি কাকনো কৰো প্ৰশ্ন ?

একবিংশ শতিকাত আমি আজি সভ্যতাৰ উচ্চ শিখৰত উপনীত হৈছোনে? সমাজত ভাতৃত্ববোধ কমি আহিছে নে বাঢ়িছে? আজিৰ দিনতকৈ তাহানিৰ সেই দিনবোৰ বেছি ভাল নাছিলনে? আছিলনে সেই সময়ত জেহাদী? আছিলনে সন্ত্ৰাসবাদীৰ দপদপনি? প্ৰয়োজন আছিলনে বজৰং দলৰ? বড়োভাইসকলে বড়োলেণ্ডৰ কথা ভাবিছিলনে? ভৱিষ্যত অন্ধকাৰ বুলি জানিও লাচিতৰ দেশৰ অসমীয়া পাহোৱাল ডেকাই সন্ত্ৰাসবাদ পন্থাক আকোৱালি ল'ব ল'গা হৈছিল কিয়? আজি সুন্দৰ, সুঠাম অসমখন ভাঙি-চিঙি সৰু অসমখনলৈ পৰিৱৰ্তিত কৰিব ওলোৱাৰ মানসিকতা দেখি পুতৌ লাগে।

আজিৰ দিনত ধৰ্মইও এচাম মানুহক এক প্ৰকাৰ অন্ধৰ দৰে কৰি পেলোৱা পৰিলক্ষিত হৈছে। অথচ সকলো ধৰ্মৰে মূলমন্ত্ৰ একেটাই। কোনো ধৰ্মই বেয়া কাম কৰিবলৈ বা কৰ্মক ফাঁকি দিবলৈ শিকোৱা নাই। সেয়েহে, ক'ব খোজো অন্তৰত নেদেখাজনৰ ভয় ভাৱ ৰাখি সমাজৰ উন্নতিৰ হ'কে কাম কৰি আমি বাস কৰা সমাজখনৰ মানুহৰ মাজত বৰ্তমান থকা সৰুফাটতো যাতে আৰু বহল হ'ব নোৱাৰে বৰং ফাটতো লুপ্ত হয় তাৰ প্ৰতি প্ৰত্যেক জন নাগৰিকে সজাগ হোৱাৰ এয়াই উপযুক্ত সময় বুলি বিবেচনা কৰা হওঁক।আমাক লাগে এখনি সুস্থ সমাজ য'ত ধৰ্ম প্ৰাধান্য কৰ্মৰ প্ৰাধান্যকৈ কম হয়। ধৰ্মই তেজ-মঙহৰ মানুহক কে'বাটাও ভাগত বিভক্ত কৰে অথচ কৰ্মই বিভক্ত হোৱা মানুহখিনিক একত্ৰিত কৰাত সহায় কৰে।

শেষত, ক'বলৈ মন গৈছে অতীতৰ সোণালী দিনবোৰৰ কথা, আমি স্মৰণ কৰি ভাল পাব পৰা মনৰ গৰাকী সকলোৱে হওঁ আহক। অতীত বৰ মধুৰ আছিল। মিঠা মিঠা লগা সেই দিনবোৰৰ স্মৃতি সন্মুখত ৰাখি ভৱিষ্যতৰ সোণালী সপোন ৰচা উচিত। পেটৰ তাড়নাত, পৰিয়ালৰ দায়িত্বত নিজৰ ভৱিষ্যতৰ বাবে জীৱন নৈৰ সোঁতত য'লৈকে নাযাওঁ কিয় মনে উৰামাৰি উভতি আহে বৰভাগৰ সেইখন কলেজলৈ য'ৰ বোকা-মাটিত বল খেলি ভৱিষ্যতৰ সপোন দেখি আগবাঢ়িছিলো। বৰভাগ কলেজ আমাৰ কলেজ, হৃদয়ত সদায় থাকিব মৰমৰ টান। ককাদেউতাৰ ভঙা-চিঙা চাইকেলখনকে সাৰথি কৰি পঢ়াৰ সামৰণি মাৰিব লগা হৈছিলো। তেতিয়া অসম আন্দোলন তুংগত। তেজ দিম, তেজ নিদিম, বহিৰাগতক বহিষ্কাৰ কৰিমেই বুলি ৰাজপথ কঁপাইছিলোঁ। দুৰ্ভাগ্যবশতঃ আজিও তেল গৈ থাকিল, তেজ দি থাকিলোঁ। বহিৰাগত সকলে অসমীয়াৰ পাকঘৰত গুণ-গুণাই আছে ''চাদেৰলাউ, বনাইল' বৈৰাগী''। আমি নীৰৱ দৰ্শক। হয়তো টোপনি যোৱাৰ ভাওঁ ধৰিছোঁ। আৰু কিমান দিনলৈকে....।

বৰভাগ মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী জাকত জিলিকা হওক। বিশ্বৰ প্ৰান্তে প্ৰান্তে বৰভাগৰ মানুহসকলে নিজৰ পাৰদৰ্শিতা দেখুৱাই ভাল 'নলবেইৰা' হোৱা বুলি পৰিচয় দিবলৈ সমৰ্থ হোৱাৰ কামনাৰে আজিলৈ সামৰিছোঁ.......।

জয়তু বৰভাগ মহাবিদ্যালয়।।■

*লেখক এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু আজাৰা নিবাসী এগৰাকী প্ৰতিষ্ঠিত চিকিৎসক*



# নাৰী নিৰ্যাতন আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে সাংস্কৃতিক বিপ্লৱ

✍ ৰুবুল কলিতা

ভাৰতবৰ্ষত নাৰী নিৰ্যাতন, নাৰীৰ অধিকাৰ খৰ্ব কৰাৰ ঘটনা উদ্বেগজনকভাৱে বাঢ়ি যোৱা আমি দেখিছো। বিশেষকৈ শেষৰ তিনিটা দশকত এই বিশাল উপমহাদেশখনত নাৰীৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধমূলক ঘটনাৰ প্ৰতিবেদনলৈ চালে এক লোমহৰ্ষক ভয়াৱহ ছবি দেখা পোৱা যায়। ১৯৯৯ চনত ভাৰত চৰকাৰৰ 'ক্ৰাইম ৰিপোৰ্ট' খনক আৰ্হি হিচাপে লৈ চকু ফুৰালে পৰিস্থিতিৰ এই ভয়াৱহতাৰ দৃশ্য পৰিলক্ষিত হয়।

'ক্ৰাইম ৰিপোৰ্ট'ৰ কিয়দাংশ –

১) ১৯৯৯ চনত ১৫, ০৯৯ গৰাকী মহিলাৰ আত্মহত্যাৰ খবৰ আৰক্ষী থানাত পঞ্জীয়ন হৈছে। সমগ্ৰ দেশতে লিংগ নিৰ্বিশেষে আত্মহত্যাৰ ঘটনাৰ ৪১ শতাংশ মহিলা। ইয়াৰ ২২ শতাংশই বোৱাৰী-গৃহিণী, যি সকলে যৌতুকৰ দাবীৰ কাৰণে পাৰিবাৰিক সমস্যা, অশান্তি আৰু দাৰিদ্ৰ্যৰ ফলশ্ৰুতিত আত্মহননৰ দৰে পথ বাচি লৈছে। যি তথ্যাই নাৰী নিৰ্যাতনৰ এক বাস্তৱ চিত্ৰ প্ৰতিফলিত কৰিছে।

২) ২০০২ চনত ক্ৰমে থানাত পঞ্জীয়ন হোৱা ঘটনাৰ ধৰ্ষণৰ সংখ্যা আছিল ১৬, ৩৭৩ টা, যৌতুকৰ বাবে মৃত্যু ৬, ৮২২ টা, স্বামী তথা পৰিয়ালৰ দ্বাৰা নিৰ্যাতন ৪৯, ২৭৩ টা, যৌন নিগ্ৰহ ১০, ১৫৫ টা, দেহ ব্যৱসায়ৰ বাবে আমদানি ৭৬টা।বিগত দহ বছৰত এনে অপৰাধ ২৫ শতাংশলৈ বৃদ্ধি পোৱা বুলি বিভিন্ন কাকত পত্ৰই পোৱা যায়।

ভাৰতবৰ্ষৰ সংবিধানত নাৰী-পুৰুষৰ সম অধিকাৰ আৰু নাৰীৰ মৰ্যাদা ৰক্ষাৰ অংগীকাৰ কৰা হৈছে। প্ৰথমে ১৯৭৬ চনত সংবিধান সংশোধনৰ সময়ত ৫১ (ক) ধাৰা অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ল যে যিবোৰ আচাৰ-আচৰণৰ দ্বাৰা মহিলাৰ মৰ্যাদা হানি হয়; মহিলাৰ অস্তিত্ব, ব্যক্তিত্বক অপমানিত কৰা হয় সেই সকলোবোৰ সাৰ্বিকভাবে পৰিহাৰ কৰাই হব সেই সময়ৰ পৰা প্ৰতিজন ভাৰতীয় নাগৰিকৰ এটা শীৰ্ষতম্ মৌলিক কৰ্তব্য। কিন্তু এই ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো সেয়া ফলপ্ৰসু হৈ নুঠিল। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত চলা নিৰ্যাতন চলিয়েই থকিল।তাৰ আঁৰত আছে শ্ৰেণী বৈষম্যতাৰ লগতে শ্ৰেণীবিভক্ত সমাজৰ মাজত গা কৰি উঠা প্ৰৱল লিংগ বৈষম্যতা। এই লিংগ বৈষম্যতাই শ্ৰেণীৰ সীমাকো মচি দি সকলো শ্ৰেণীৰ মহিলাক আক্ৰমণ কৰিছে। সমগ্ৰ বিশ্বৰ বিশাল চিত্ৰপটত দেখো অগনন নাৰী নূন্যতম মৌলিক মানৱ অধিকাৰৰ পৰাও বঞ্চিত হৈ ভয়াৱহ বিপদাপন্ন আৰু সংকটজনক পৰিস্থিতিত জীৱন নিৰ্বাহ কৰিছে। অগনিত নাৰী বলপূৰ্বকভাৱে পতিতাবৃত্তিলৈ ঠেলি দিয়া হৈছে। নাৰীক যৌন জীৱৰূপে চিহ্নিত কৰি অকল পুৰুষসৰ্বস্ব সমাজ ৰক্ষাৰ বাবে সন্তান জন্ম, লালন-পালন, পুৰুষৰ যৌন ক্ষুধা নিবাৰণ বা তৃপ্তিদান আৰু পৰিয়ালৰ সদস্য সকলৰ শুশ্ৰূষাৰ ক্ষেত্ৰতে নাৰীৰ বিচৰণ সীমা সংকুচিত কৰা হৈছিল, যিটো এটা ভয়ানক অন্যায়।

নাৰীৰ শৰীৰক পূৰ্বৰে পৰাই যৌনতা সৰ্ব স্বৰূপত পৰিকল্পিতভাৱে বিম্বিত আৰু ব্যৱহাৰ কৰা ব্যৱস্থাটোৰ অৱধাৰিত ফল হিচাপে বৰ্তমানৰ পণ্য সংস্কৃতিৰ এই অমানৱীয় অভিমান সহজ হৈ পৰিছে। গীত-মাত, নাটক, কথাছবি, চিত্ৰকলা আদি সকলোতে নাৰীৰ সুন্দৰ সুকোমল শৰীৰক যধে-মধে নগ্ন ৰূপত ৰূপায়িত; চিত্ৰায়িত কৰি

সহজতে প্ৰচুৰ অৰ্থ লাভ, জনপ্ৰিয়তা আহৰণৰ দুৰ্বাৰ প্ৰচেষ্টা চলিছে। ফলত নাৰীৰ প্ৰতি মানুহৰ স্বাভাৱিক শ্ৰদ্ধা, সহানুভূতি হ্ৰাস পোৱাৰ লগতে বাঢ়ি গৈছে যৌন অপৰাধ, অবাধ নিৰ্যাতন আৰু দমন।

নাৰীৰ সামাজিক অৱদমনৰ প্ৰসংগত সাংস্কৃতিক দিশৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। পুৰুষতন্ত্ৰৰ জন্ম আৰু বিকাশৰ গুৰি প্ৰোথিত হয় পৰিয়ালত। পৰিয়ালত ল'ৰা শিশু আৰু কন্যা শিশুৰ ক্ষেত্ৰত লিংগবৈষম্যমূলক ধাৰণা বা ব্যৱস্থাৰ আৰম্ভনি-প্ৰতিফলন, শিক্ষা, বিবাহ আদিৰ ক্ষেত্ৰত লিংগ বৈষম্যতাৰ দৃশ্য স্পষ্ট হৈ পৰে। গতিকে লিংগ বৈষম্যতাৰ বিৰুদ্ধে যুদ্ধখন বা ৰূপান্তৰৰ সংগ্ৰামখন পৰিয়ালৰ পৰা আৰম্ভ হৈ বৃহত্তৰ সমাজলৈ বিয়পি যায়।

মানৱীয় প্ৰমূল্যবোধৰ ওপৰত কৰা আঘাটে চৰম বিন্দু স্পৰ্শ কৰা ক্ষণৰ পৰাই স্বতঃস্ফুৰ্ত ভাৱে জনজাগৰণ শক্তিশালী ৰূপত শক্তিশালী ৰূপত সংগঠিত হব। কোনো আৱেগিত কাৰণত নহয়, নিতান্তই বাস্তৱিক প্ৰয়োজনীয়তা, জীৱন-জীৱিকাৰ ন্যায্য স্বাৰ্থত। নাৰীৰ ভূমিকাও সেই সময়তে পৰিবৰ্তিত হ'ব বিস্তৃত ৰূপত। কিন্তু তাৰ বাবে এক শক্তিশালী সাংস্কৃতিক জাগৰণৰ প্ৰয়োজন হ'ব। সাংস্কৃতিক ক্ষেত্ৰখনৰ অৱক্ষয় ৰোধ কৰিব নোৱাৰিলে, প্ৰতিৰোধ কৰিব নোৱাৰিলে বা বিকল্প ব্যৱস্থা এটাৰ বুনিয়াদ গঢ়ি তোলাত ব্যৰ্থ হ'লে কিন্তু বৈষম্যৰ অৱসান এক আকাশ কুসুম স্বপ্ন হৈ ৰ'ব। হৈ ৰ'ব এক ব্যৰ্থ অভিমানৰ দৰে।

সাংস্কৃতিক জগতখনৰ অংকুৰণ প্ৰথমে আমাৰ মন আৰু বুদ্ধিৰ মাজত হ'ব লাগিব।আমাৰ ব্যক্তিত্ব আৰু জীৱন দৃষ্টিৰ মাজত এই জাগৰণ পৰিপুষ্ট হলেহে ই জনে জনে হৃদয়ে হৃদয়ে বিয়পি এক মহা জাগৰণৰ ৰূপ লব। এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব পূৰণ কৰিব লাগিব শিক্ষিত, প্ৰগতিশীল, যুক্তিবাদী, মানৱতাবাদী আৰু সাংস্কৃতিক ৰূপান্তৰকামী মানুহে। বিশেষকৈ সংগ্ৰামীসকলৰ, যি প্ৰাত্যাহিক জীৱনৰ তুচ্ছতাৰ মাজত নিজক হেৰুৱাই যাবলৈ দিয়া নাই। ■

*ৰাজনীতিবিজ্ঞান বিভাগৰ ৫ম ষাণ্মাসিকৰ ছাত্ৰ*

সহায়ক গ্ৰন্থঃ আংগনা (২০০৯)



# Women and Society

## with special reference to India



Unusar Rahman

It is agreed that women form nearly half of the world population and it is better that any modern country should provide a balanced opportunity structure for men and women, so that both men and women can equally contribute to development efforts and can also benefitted through them. Today an important index of modernization of any society is that the position of men and women are equal. Unless women make progress the society cannot develop actually. But inspite of this truth women are basic not giving adequate opportunities to develop and play an important role in the process of development in the society.

By the observation, it has been found that although women complete 2/3 of the world's working hours they receive only 1/10 of its income and own less than one hundredth of the world's property. Women are actually treated as second class citizen because in most societies they are considered inferior to men. But equally it is also true that equal rights have been granted in most model constitutions. For example, in India equal status and rights have been granted since independence and a small number of educated women have equality in various fields. It is also a good scenario that this number is increased in satisfactory speed during the present period. But by and large women are still discriminated in different ways, exploited and subjugated.

State Law alone cannot change the existing order. It is an instrument, which can help in bringing about a change if the society is prepared to accept the change. To achieve such goal people's awareness has to increase, thinking of them has to change the socialization patterns and general behavior have to change in order to adjust to the new value and modern way of life.

In contemporary Indian society, while women are making some progress and fighting for their rights there is still more to be done to achieve gender equality and general justice. According to the report of UNDP entitled "Human Development in Asia, The Gender Question" statesthat South Asia is the lowest gender sensitive region in the world and women are discriminated against in all areas, as in job market, governance accessing education and in health care or nutrition. The literacy rates are also not minimum equal. But in spite of these India and Sri Lanka are named as the only two countries in South Asia to have women's higher positions. In the same time the report also says that India's performance is till way behind, the commitments was made at the 1995 Beijing conference on women.

Women are essentially homemakers. Nature has allotted the job childbearing to women. In every society in performing the role of home makers and men of bread winner since ancient period. During this time both roles were equally important and the division of labour was not rigid since life was tough and both men and women had

to work hard both in and outside home for survival. In the Colonial and industrial periods, the division of labour becomes very rigid as men displaced women in modern industry since they were unskilled, so the women get marginalized. Gradually more and more women lost employment and well confined to home and according to thefeminists'rigid sex best division of labour order most of obvious form of expressing women's in quality. The domestic work is not given due recognition in a capitalist society since it does not bring money. Hence, women's role and status is looked down upon.

In the field of education if we observe we see that gender discrimination at all levels starting from rate of enrollment to access to various facilities in education to drop out rate and utilisation of knowledge and training. Another area where women are highly neglected is health and nutrition.

Women have always made a great contribution to the economy both by production of goods and of services. In olden days where the family was the unit of production women's contribution was recognized but ever since the family has become a consumption unit the contribution of woman has been overlooked and underestimated. Women working outside the home or not enumerated properly in the census data and also paid less than men for doing the same work in spite of the equal remuneration act.

Women are neglected in the process of development also. True development of any society requires that both men and women play their role in the process of development and benefit by it. But in reality women are generally not integrated in the process of development. But in opposite sense they are merely considered as one of the objectives of development.

Women have had fluctuating position in society since ancient period due to the existing condition and urgent situation, while in the mediaeval period women in most societies accepted the restrictions placed on them without protest, after renaissance, with a radicals change in values and thinking, women started protesting against sub ordination and demanding equality.

In India also the status of women has seen many ups and down due to prevailing conditions in different eras. Women had a batter status during the Vedic period, which gradually deteriorated write up to the beginning of 19th century due to various religious and historic reasons. Although it is generally felt that from 19th century, onwards the status of women improved, feminist' are increasingly stressing that the modern development paradigm has marginalized women and their status has infect deteriorated as compared to pre-colonial times. Only a small number of elite women have benefited by modern education.

After independence there was a period of complacence change when the elite women felt equality has been achieved. In reality the conditions where unsatisfactory and women at grass root level were facing exploitation and discrimination and were starting to fight against it in an organized way due to the effect of women's complacence and efforts new policies and programs were started. Women studies were encouraged and center's for women's studies were opened atmany University.

In contemporary India society women are making progress in various Fields and some games are remarkable, but much remains to be done to achieve gender equality and gender justice for all women. Thought on the positive, women are getting empowered both through education and political participation at the grass root level, while on the negative, violence against women is on increased, wheather in the forms of bride burning, rapeor gang rape, murder after gang rape, dowry death and so so. Women are neglected in every aspect of life as in health, nutrition. Socio-cultural factors are also responsible for this condition of women class. But at the present scenario of society is comparatively satisfactory for the women class because the percentages of taking higher education are increased in high speed. But all the social problems of women class will be declared with their self - Reliance, boldness self-dependent attitude. Male contribution and co-operation is highly needed in this regard. ■

*Md. Unusar Rahman is Associate Professor of Dept. of Pol. Science*

# ছাত্ৰ জীৱনৰ প্ৰশ্নোত্তৰঃ এক প্ৰাসংগিক চিন্তা



ব্ৰজেন কলিতা

একুৰিয়ামত চলাচল কৰি থকা মাছ এটালৈ কেতিয়াবা লক্ষ্য কৰিছেনে? আমাৰ ছাত্ৰ জীৱনটো সাধাৰণতে একুৰিয়ামৰ মাছটোৰ দৰে। নিৰ্দিষ্ট বান্ধোন এটাৰ মাজত থাকি কেতিয়াবা একে গতিৰে আগুৱাই যাওঁ, কেতিয়াবা গতিপথ সলাও, আকৌ কেতিয়াবা জিৰণি লওঁ। একুৰিয়ামৰ মাছটো আৰু ছাত্ৰ জীৱনৰ মাজৰ মূল পাৰ্থক্য এইটোৰেই যে মাছটোৱে নিজৰ জীৱনশৈলী কোনো পৰিৱৰ্তন কৰিব নোৱাৰে কিন্তু ছাত্ৰ-ছাত্ৰীয়ে চিন্তা, বিবেক, বুদ্ধিৰে যিকোনো পৰিস্থিতিত নিজক শ্ৰেষ্ঠ ৰূপে প্ৰতিপন্ন কৰিবলৈ অহোপুৰুষাৰ্থ কৰে।

ছাত্ৰ জীৱনত এনে কিছুমান বাহ্যিক কাৰকৰ প্ৰভাৱ মগজুত পৰা দেখা যায় যিবোৰৰ প্ৰতিক্ৰিয়া আৰু বিশ্লেষণ এজন ছাত্ৰ আৰু অভিভাৱকৰ বাবে খুবেই প্ৰয়োজন । প্ৰতিক্ৰিয়াৰ জৰিয়তে আচৰণৰ প্ৰতিকাৰ আৰু জ্ঞানৰ সীমাবদ্ধতাৰ কথা জানিব পাৰি। ইয়াৰ তুলনামূলকভাৱে বিশ্লেষণে সঠিক সিদ্ধান্ত গ্ৰহণ আৰু বহু সময়ত আত্ম-সংশোধনৰ বাবে উত্তম পথটো নিৰ্বাচন কৰে। বিগত সময়চোৱাত আমাৰ শিক্ষা ব্যৱস্থাই – 'প্ৰতিক্ৰিয়া'আৰু 'বিশ্লেষণ' এই গুৰুত্বপূৰ্ণ বিষয়ৰ পৰা আমাক আঁতৰাই ৰাখিলে । কম্পিউটাৰে যিদৰে ০ আৰু ১ ৰ বাহিৰে অন্য Digit বা Alphabetত তথ্য সংৰক্ষণ কৰিব নোৱাৰে আমাৰ মগজুৱেও "Marks" আৰু "Job" এই দুয়োটাৰ বাহিৰত থাকি কোনো কথাই চিন্তা কৰিব নোৱাৰা হ'ল।মানুহৰ জীৱন আৰু মেচিনৰ মাজত পাৰ্থক্য এনেবোৰ কাৰণতে দিনকদিনে হ্ৰাস পাইছে।

এজন ছাত্ৰই "Marks"আৰু "Job"এই শব্দ দুটা মগজুত সোমাই লোৱাৰ আগতে পাঁচটা প্ৰশ্নবোধকৰ সন্মুখীন হোৱাটো প্ৰয়োজন বুলি মোৰ মনে ধৰে।এই পাঁচটা প্ৰশ্নৰ উত্তৰে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰকৃত সত্য কি, জীৱনৰ স্থায়ী সমাধান আৰু সুখী হোৱাত যথেষ্টখিনি সহায় কৰে ।আমাৰ প্ৰত্যেকৰে মনত উদয় হ'বলগীয়া সেই পাঁচটা সৰু প্ৰশ্নবোধক হৈছে - "কি, কিয়, ক'ত, কেনেকৈ, কেতিয়া"।

দেখাত সৰল যেন লগা উক্ত প্ৰশ্নবোধক শব্দ কেইটাই এজন ছাত্ৰ বা ছাত্ৰীৰ প্ৰত্যেকটো প্ৰাসংগিক দৃশ্যপট স্পষ্ট কৰে। আমি নিজকে সম্পূৰ্ণৰূপে প্ৰস্তুত বুলি তেতিয়ালৈ ভাবিব নোৱাৰো যেতিয়ালৈ আমাৰ মনত নিজক চিন্তা কৰাৰ এটা পৰিবেশ সৃষ্টি নহয়। প্ৰশ্ন কৰাৰ অৰ্থ এইটো নহয় যে আমাৰ আত্মবিশ্বাসৰ ওপৰত সন্দেহৰ অৱকাশ ঘটিছে। বৰঞ্চ

বহু ক্ষেত্ৰত প্ৰশ্নৰ উত্তৰবোৰে সংযমী, আত্মবিশ্বাসী আৰু যুক্তিবাদী হোৱাত সহায় কৰে। প্ৰগতিশীল মনএটা লৈ আগবাঢ়িবলৈ হ'লে আমাৰ মনত উদয় হ'ব পৰা প্ৰথম প্ৰশ্নটোৱে হ'ল "কি" - এই 'কি'ৰ অৰ্থ এজন ছাত্ৰৰ বাবে স্পষ্ট হোৱা উচিত। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত – ''কিয়'' এনে সিদ্ধান্ত গ্ৰহণ কৰিলে, ইয়াৰ ফলাফল কি হ'ব পাৰে বা ব্যক্তিগত, সামূহিক কোনবোৰ দিশক প্ৰাধান্য দি চলাটো সমীচীন হ'ব সেয়া বিষয়বস্তুৰ আওতাত আনিলে উদ্দেশ্যৰ ক্ষেত্ৰত নিজৰ মগজুৱে সঠিক সিদ্ধান্ত লব পাৰে বুলি মোৰ বিশ্বাস।

ছাত্ৰাৱস্থাত মনত আহিব পৰা তৃতীয়টো প্ৰশ্ন হ'ল 'ক'ত'- এই প্ৰশ্নটোৱে ছাত্ৰজনে প্ৰতিনিধিত্ব কৰা অনুষ্ঠানটোৰ কথা সূচায়। ছাত্ৰ-ছাত্ৰীয়ে যিকোনো নীতি বহিঃভূত কাম কৰিবলৈ আগবাঢ়িলে এই প্ৰশ্নটো মনত অনাটো নিতান্তই প্ৰয়োজনীয়। এই প্ৰশ্নৰ জৰিয়তে দ্ৰুততম আত্মসংশোধন হয়।

অতি গুৰুত্বপূৰ্ণ কথা এইটোৱেই যে আমি বহুতেই অতীতক পাহৰিব খোজো। ছাত্ৰ এজনৰ বাবে বৰ্তমান আৰু ভৱিষ্যত যিদৰে এৰাব নোৱাৰা অংগ। ঠিক তেনেদৰে অতীতৰ ভুল নাইবা হতাশাক সমাধান কৰাৰ সূত্ৰ আৰু নিজকে কেনেদৰে যোগ্য হিচাপে গঢ়ি তুলিব পাৰি সেয়া আমাৰ মনত উদয় হোৱা ''কেনেকৈ'' প্ৰশ্নবোধকৰ জৰিয়তে সমাধান কৰিব পাৰোঁ।

উপৰোক্ত আটাইবোৰ প্ৰশ্নৰ উপৰিও সাধাৰণতে চিন্তাৰ বাহিৰত থকা এটা প্ৰশ্ন হ'ল -"কেতিয়া''এই প্ৰশ্নই সময়ৰ সদ ব্যৱহাৰৰ কথা সূচায়। মূল্যৱান সময় নষ্ট কৰি ধ্বংসমুখী হোৱাতকৈ কিদৰে নিজৰ জীৱনৰ প্ৰত্যেকটো মুহূৰ্ত কৰ্মৰে উদযাপন কৰিব পাৰো সেয়া এই প্ৰশ্নটোৰ উত্তৰ হোৱা উচিত।

ছাত্ৰ জীৱনত নিজকে প্ৰশ্ন কৰাৰ থল নাথাকিলে আমি কেতিয়াও আমাৰ চিন্তাক উন্নত কৰিব নোৱাৰিম। দেশৰ ভৱিষ্যতবোৰ যিহেতু শ্ৰেণীকোঠাত, সেয়েহে এখন সুস্থ-সবল-বৌদ্ধিক সমাজৰ চিন্তা ছাত্ৰাৱস্থাতেই হোৱা উচিত। য'ত ''Marks'' আৰু ''job'' তকৈ মানৱীয় প্ৰমূল্যবোধ, নৈতিকতা আদিয়ে অলপ হ'লেও আগস্থান পাব।■

*ৰাজনীতি বিজ্ঞান বিভাগৰ তৃতীয় বৰ্ষৰ ছাত্ৰ আৰু*
*মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক*

শৰীৰত প্ৰসাধনৰ প্ৰয়োজন হোৱাৰ দৰে অন্তৰতো প্ৰসাধনৰ প্ৰয়োজন হয়। মন সাহিত্য প্ৰয়াসী কৰি তোলাই অন্তৰ প্ৰসাধন। মনত এবাৰ সাহিত্য পিয়াহ জগাই তুলিব পাৰিলে সাজ-সজ্জাৰ দোকানতকৈ গ্ৰন্থৰ দোকানতহে ভিৰ বাঢ়িব আৰু লগে লগেই মনৰো সৌন্দৰ্য বাঢ়িবলৈ ধৰিব।

- নলিনী বালা দেৱী।



# CHILD LABOUR

## The New Threat to Society

✍ Simanta Patowary

Throughout India, whether rural or urban, there are children begging in the streets; even small children clean the cars of the trains and the alleys of the buses, asking for coins.

Few days ago I read a real story regarding this in social media. A man needed help moving his scooter into the parking lot. It was late at night and there were no people inside the parking lot. He noticed a little boy (apparently a cleaner) and asked him for help. The boy said he would help the man but asked for 10 rupees in return. It shocked him at first, but he paid for it because he wanted to know why that boy was begging. After moving the bike, the boy explained that during the day, he worked in a department store, earning 20 rupees for a six-hour work day. The boy did not receive food and was beaten by his employer while he was not working hard enough. As he was homeless, without parents to support him, the boy stood in the busy intersection every day, before and after work, asking the travelers for money to eat.

This boy is just one example of the more than 12 million child laborers in India, according to the 2001 national census, who are exploited by industries, institutions and homeowners.

**What is child labor?**

Definition of child labor: Child labor is the practice of involving children in economic activity, whether part-time or full-time. This practice makes the children's childhood ephemeral and harms their physical and mental development. The problem of child labor is not unique in India; Around the world, around 217 million children work, often full time. It is important to note that any work done by children is not considered "child labor".

The International Labor Organization (ILO) states that child labor can be defined in different ways, and a different definition gives a different estimate of child labor in India as well as in other countries. According to the ILO, children or adolescents who participate in work that does not affect their health and personal development or interfere with their schooling are not children at work; it can instead be generally considered something positive. According to the ILO, these types of activities can contribute to the development, society or morality of children, or to tasks whose timing affects their ability to attend school or in any way affect their ability to participate. ability to concentrate. Live a healthy childhood.

UNICEF defines child labor differently. A child, according to UNICEF, is involved in child labor activities if he is between 5 and 11 years old, at least one hour of economic activity or at least 28 hours of domestic work per week, and in the case of child labor Between the ages of 12 and 14, he has had at least 14 hours of economic activity or at least 42 hours of economic activity and domestic work per week. According to another UNICEF



report, “child labor must be on a continuum, with destructive or exploitative labor at one end and a beneficial job - to promote or enhance children’s development without interfering with their education, their leisure and rest -. And between these two poles are vast areas of work that do not need to negatively affect a child’s development.”

**Child Labor in India and CAUSES:**

Unfortunately, India has the largest number of child laborers in the world. The census found an increase in the number of child laborers from 11.28 million in 1991 to 12.59 million in 2001. MV The Andhra Pradesh Foundation has found nearly 400, 000 children, mostly aged between 7 and 14 years old, working 14 to 16 hours a day in cotton production across the country, 90% of which in Andhra Pradesh. 40% of the workforce in a gem cutting business is children. NGOs have discovered the use of child laborers in the mining industry in Bellary District of Karnataka despite a severe ban on the same. In urban areas, child labor in the zari and embroidery industry is high.

Poverty, the lack of good schools and the growth of the informal economy are considered as important causes of child labor in India. The growing gap between the rich and the poor, the privatization of basic services and neoliberal economic policies mean that large segments of the population are unemployed and without basic needs. This affects children more than any other group. The entry of multinational companies into the industry without proper mechanisms to hold them accountable has led to the use of child labor. The lack of quality universal education has also contributed to children dropping out of school and entering the labor market. A major concern is that the actual number of child laborers is not detected. Laws that aim to protect children from unsafe work are ineffective and are not enforced properly.

**History:** A growing phenomenon is the use of children as domestic servants in urban areas. The conditions under which children work are completely unregulated and they are often forced to work without food, and at very low wages, resembling slavery. There are cases of physical, sexual and emotional abuse of child domestic workers. The argument for domestic work is often that families have placed their children in these homes for care and employment. Recently, the Ministry of Labor has reported that child domestic work and the employment of children in dhabas, tea stalls and restaurants are “dangerous” activities.

According to HAQ: Center for the Rights of the Child, child labor is highest among tribes in the annex, Muslims, Scheduled Castes and OBC children. The persistence of child labor is due to the inefficiency of the law, the administrative system and because it benefits employers who can reduce general wage levels. HAQ argues that the distinction between hazardous and non-hazardous uses is counter-productive to the elimination of child labor. Various growing concerns have caused children to drop out of school and find jobs, such as forced displacement due to development projects, special economic zones; parents ‘job losses in a slowdown, farmers’ suicide; armed conflict and high costs of health care.

**Laws against child labor in India:**

Child labor in India is covered by the Child Labor Act of 1986 and the National Child Labor Project. India has had legislation against child labor since 1986 which, instead of preventing child labor, allows child labor in non-hazardous industries. Social activist Hemant Goswami had shifted the courts against this particular provision

and for the government's inability to prevent the violation of the rights of the child and the widespread work of children, his efforts against the exploitation of children forced the government to establish a commission for the rights of children. Harayana, Punjab and Chandigarh. On 9 April 2013, the High Court of Punjab and Haryana issued a landmark order on the petition (PIL CWP 2693 of 2010) presented by Hemant Goswami. The court accepted all the arguments and suggestions presented by Hemant Goswami (who pleaded the case in person) and directed that; The employment of children up to the age of 14 years will be prohibited, whether dangerous industries or not.

There will be no forced labor even for children aged 14 to 18; and whenever a child over 14 is forced to work, it must be treated as an offense under Article 374 of the Penal Code and must be treated with severity.

When a case is brought to the attention of the State Commission involving a violation of the rights of the child, even if a child over 14 is employed, the State Commission under the SCRC Act will have the competence to treat the same.

Offenders must be treated effectively and quickly. Therefore, wherever violations are found, cases under the provisions of Part IV of the Child Labor Prohibition Act must be registered without delay in all cases.Where agents fail or fail to take effective immediate action, in addition to taking the necessary disciplinary measures, appropriate action may be taken under Article 166 of the IPC against such agents.

There is also a need to rehabilitate these children in society.

(The scheme proposed by Hemant Goswami has been adopted by the Court, with the following main points:

a) Take the child out of the operating environment

b) Provide education

c) Provide food / meals / clothing / necessities

d) Penalty / Compensation should be for the benefit of the child Regular monitoring)

The chairman of the "State Commissions for the Protection of the Rights of the Child" should be a person who has been a judge of the High Court and the process of selecting the six other members of the "State Commissions for the Protection of Rights". of the child "should advertise to invite candidates, interview eligible candidates andrecommend a criminal of appropriate names of people.

The states of Punjab and Haryana as well as the United States, Chandigarh will also ensure that state commissions become fully functional by appointing presidents and members.Children's courts with specialized infrastructure will be created.The order is seen as a milestone in "protecting the rights of the child" in India, as the court said many provisions of the Indian Child Labor Act 1986 were illegal and against the Constitution of India. 'India.

**Measures that can be taken:**

Child labor is a global practice and has many negative results. Therefore, it is essential to break this vicious circle and allow society to form healthy and responsible citizens and future leaders. A multidisciplinary approach is needed to combat this problem in the form of the following recommendations:Health care providers, especially community nurses in collaboration with other stakeholders, could introduce and link communities and microfinance programs to build families' capacity to generate income rather than to child labor option.

The Nursing and Medical Curriculum should also incorporate this critical component into courses such as Advanced Concepts in Community Health Nursing. To raise public awareness, community health nurses and other health care providers should write and publicize the issue of protecting children's rights and influencing the media to describe different aspects of child labor, television and media being an essential part of the life of society. In addition, nurses and other health professionals can undertake more in-depth research on the impact of child labor on health.

Seminars and conferences should be organized for employers and parents of children involved in child labor. If child labor is unavoidable, facilitation must be provided to find new ways of educating working children and youth, other than traditional schools.

The order is seen as a milestone in "protecting the rights of the child" in India, as the court said many provisions of the Indian Child Labor Act 1986 were illegal and against the Constitution of India.Measures that can be taken.Child labor is a global practice and has many negative results. Therefore, it is essential to break this vicious circle and allow society to form healthy and responsible citizens and future leaders. A multidisciplinary approach is needed to combat this problem in the form of the following

recommendations:Health care providers, especially community nurses in collaboration with other stakeholders, could introduce and link communities and microfinance programs to build families' capacity to generate income rather than to child labor option.The Nursing and Medical Curriculum should also incorporate this critical component into courses such as Advanced Concepts in Community Health Nursing. To raise public awareness, community health nurses and other health care providers should write and publicize the issue of protecting children's rights and influencing the media to describe different aspects of child labor, television and media being an essential part of the life of society. In addition, nurses and other health professionals can undertake more in-depth research on the impact of child labor on health.

Seminars and conferences should be organized for employers and parents of children involved in child labor. If child labor is unavoidable, facilitation must be provided to find new ways of educating working children and youth, other than traditional schools.

The problem of child labor in the Third World is not only financial, but it is also a socio-economic problem that can be solved by adopting certain measures to improve the economic conditions of the community and allow it to to provide education and recreation to children. At the same time, due diligence is provided in the implementation of child labor legislation. Perhaps the abrupt eradication or the demolition of child labor is not the solution of a country like Pakistan, where poverty is the cause of many problems, because these children can end up in other professions more dangerous like drug trafficking. to make a living. However, education and work have helped these children acquire the necessary skills and, in the future, they are better able to work in a supportive environment and raise their families in a healthy environment. A multidisciplinary approach is needed to work on the quality of a child who works and, as a result, as health staff, we started thinking and working together to tackle this problem. ■

*Student of B.Sc. 3rd Year*

আনক সমালোচনা কৰা সহজ, কিন্তু নিজক সংযত কৰাটো অতি কঠিন।

- হেম বৰুৱা

তুমি তোমাৰ লক্ষত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য্য নোহোৱা।

- স্বেক্সপীয়েৰ

# ছাত্ৰ আন্দোলন কিয়?

✍ জিতু তালুকদাৰ

'ছাত্ৰ আন্দোলন' হ'ল ছাত্ৰ সকলৰ দ্বাৰা ৰাজনৈতিক, পৰিৱেশ কেন্দ্ৰিক, অৰ্থনৈতিক বা সামাজিক পৰিবৰ্তনৰ কাৰণে কৰা কৰ্ম। যদিওবা বিদ্যালয়ৰ পাঠ্যক্ৰম বা পূঁজি আদিৰ ওপৰতহে ছাত্ৰসকলে নিজৰ চিন্তাক কেন্দ্ৰীভূত কৰে, তথাপি, ছাত্ৰসকলে বৃহৎ ৰাজনৈতিক কৰ্মও সংঘটিত কৰি আহিছে।

বিশ্বৰ ছাত্ৰ আন্দোলনৰ এটা গৌৰৱময় ইতিহাস আছে আৰু এই আন্দোলনৰবিলাকৰ কাৰণ বিলাক আছিল ৰাজনৈতিক।

আৰ্জেন্টিনা, অষ্ট্ৰেলিয়া, বাংলাদেশ, কানাডা, চিলি, চীন, ফ্ৰান্স, জাৰ্মান, হংকং, ভাৰত, ইন্দোনেছিয়া, ইৰাণ, ইজৰাইল, জাপান, মালেয়াছিয়া, মেক্সিকো, ফিলিপাইন, দক্ষিন কৰিয়া, ইউক্ৰেইন, সংযুক্ত গনৰাজ্য, আমেৰিকা আদি বিভিন্ন দেশত বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক কাৰণত ছাত্ৰসকলে সংঘটিত কৰিছিল একোটা বিশ্বখ্যাত আন্দোলন। ভাৰততো স্বাধীনতাৰ আগৰে পৰা ছাত্ৰসকলে বৃটিছৰ বিৰুদ্ধে নানা প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই সময়তে ভাৰতত বাম ছাত্ৰ ৰাজনীতিৰো জন্ম আৰু বিকাশ ঘটিব লৈছিল। আনকি বহু ছাত্ৰ সশস্ত্ৰ বিপ্লৱৰ প্ৰতি আকৃষ্ট হৈছিল।
আনকি স্বাধীনতাৰ পিছতো ভাৰতৰ ছাত্ৰসকলৰ কিছু সংখ্যকে 'ভুৱা স্বাধীনতা'বুলি দাবী কৰিছিল।তেলেঙ্গেনা, নক্সাল আন্দোলনত ছাত্ৰসকলৰ অংশগ্ৰহণ উল্লেখযোগ্য আছিল।

এতিয়া কথা হ'ল, অসমৰ পটভূমিত বৰ্তমান সময়ত ছাত্ৰসকলে শ্ৰেনীকোঠাৰ পৰা ৰাস্তালৈ আন্দোলন কৰিবলৈ ওলাই অহাটো উচিত নে অনুচিত? বৰ্তমানৰ বি.জে.পি. চৰকাৰে ছাত্ৰসকল ৰাজপথলৈ ওলাই আহি যিকোনো ৰাজনৈতিক প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাৰিব বুলি ভাবুকি দিছে। ভাষা আন্দোলন, খাদ্য আন্দোলন, শোধানাগাৰ আন্দোলন, মাধ্যম আন্দোলনত ছাত্ৰসকলেই আছিল মূল চালিকা শক্তি। ১৯৭৯ চনত অসম আন্দোলন ছাত্ৰসকলেই সংঘটিত কৰিছিল আৰু তাৰ পিছতে 'স্বাধীন অসম'ৰ দাবীত সশস্ত্ৰ বিপ্লৱলৈ মেধাৱী ছাত্ৰসকলৰ কিছুসংখ্যকে ঢাপলি মেলিছিল। এইবিলাক হ'ল অসমৰ ছাত্ৰৰ জাতিৰ বাবে কৰা ত্যাগৰ নমুনা। মোৰ বক্তব্যৰ মূল কথা হ'ল যিকোনো ৰাজনৈতিক পৰিস্থিতিৰ উদ্ভৱ হ'লে, যি পৰিস্থিতিয়ে এটা জাতি বা দেশলৈ অশনি সংকেত কঢ়িয়াই অনা বুলি ছাত্ৰ সমাজে ভাৱে, ঠিক তেতিয়াই ছাত্ৰসকলে শ্ৰনীকোঠা ত্যাগ কৰি ৰাস্তালৈ ওলাই আহিবলৈ বাধ্য হয়। অসম ইয়াৰ ব্যতিক্ৰম নহয়। চৰকাৰে যিমানেই কঠোৰ নিয়ম বলৱৎ নকৰক কিয়, ছাত্ৰসকলে তাক উলাই কৰিবই। চৰকাৰৰ যুক্তি হ'ল চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ সকলে আন্দোলন কৰে আৰু বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ সকলে কেৰিয়াৰ গঢ়ে। সচাঁ কথাটো হ'ল চৰকাৰী বিদ্যালয়বা মহাবিদ্যালয়ৰ ছাত্ৰসকলক আন্দোলনৰ পৰা বিৰত ৰাখিব পাৰিলেই যিকোনো প্ৰতিবাদৰ অন্ত পৰিব বুলি চৰকাৰে ভাৱে। কিন্তু য'ৰ পৰাই নহওঁক বা যেনেকৈয়ে নহওঁক ছাত্ৰসকলে প্ৰতিবাদ কৰিবই আৰু এইটোও ধৰা-বন্ধা নিয়ম নাই যে, বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰই শ্ৰেণীকোঠাতেই সদায় আবদ্ধ হৈ থাকিব। বিশ্বৰ বহুদেশত বেচৰকাৰী বিদ্যালয়ৰ বহু ছাত্ৰইও বিভিন্ন পৰিস্থিতিত বিভিন্ন প্ৰতিবাদ কৰি আহিছে। অসমতো তেনেকুৱা অৱস্থালৈ ছাত্ৰসকলে গতি কৰি থকা যেন অনুমান হয়। জাতিৰ সংকটৰ সময়ত অসমৰ গোটেই ছাত্ৰই (চৰকাৰী আৰু বেচৰকাৰী) ৰাজপথত যে থিয় হ'ব এইটো খাটাং। চৰকাৰে চৰকাৰী আৰু বেচৰকাৰী বুলি ছাত্ৰসকলক যিমানেই ভাগ নকৰক কিয়? এতিয়া কথা হ'ল ছাত্ৰসকলক আন্দোলনৰ পৰা বিৰত ৰাখিবলৈ হ'লে চৰকাৰে এনেকুৱা কোনো ৰাজনৈতিক পৰিস্থিতি সৃষ্টি কৰিব নালাগিব, যিয়ে ছাত্ৰসকলক শ্ৰেণীকোঠা এৰি ৰাস্তালৈ আহিবলৈ বাধ্য কৰিব। অন্য কোনো বিকল্প পথ চৰকাৰৰ হাতত নাই। ছাত্ৰ শক্তি হ'ল এটা জাতি, এখন দেশ আৰু এখন সমাজৰ এটা অগ্ৰণী অংশ যি ইচ্ছা কৰিলে স্থিতাৱস্থা ভাঙি নতুন জাতি, নতুন দেশ আৰু নতুন সমাজ গঢ়ি তুলিব পাৰে।■

# প্ৰচলিত শিক্ষা ব্যৱস্থাঃ আঁৰৰ কিছু কথা

অভিজিত বৰুৱা

সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থাটোক লৈ এগৰাকী সচেতন ছাত্ৰ হিচাপে মই বাৰুকৈয়ে চিন্তিত। বৰ্তমান এই প্ৰতিযোগিতাৰ যুগত ক'ব নোৱাৰাকৈয়ে যে আমি ক'ৰবাত স্থবিৰ হৈছোঁ সেইটো মনত নধৰা নহয়। শিক্ষাইহে মানুহক সমাজ ব্যৱস্থাত একোটা পদবীত অধিষ্ঠিত কৰে।এগৰাকী ছাত্ৰ হিচাপে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ মই পৰিপন্থী।

সমাজ ভেদে মানুহৰ পাৰ্শ্বক্ৰিয়া বেলেগ বেলেগ যদিও শিক্ষা পদ্ধতি একেটাই।আজিলৈকে যে আমি আমাৰ দেশ বিশ্বৰ বুকুত নিজৰ গতি স্তব্ধ কৰিব লগা হৈছে সেয়া আমি জানো।শিক্ষা জীৱনৰ আৰম্ভণিৰে পৰা বৰ্তমান সময়ছোৱালৈকে আমি দৃষ্টি নিবদ্ধ কৰিলে দেখা যায় যে বৰ্তমানৰ প্ৰথাগত শিক্ষা ব্যৱস্থাটোত আমি নিজকে একোজনকৈ ডাক্তৰ, ইঞ্জিনিয়াৰ হিচাপে প্ৰতিষ্ঠা কৰিছো সেয়া সচাঁ। কিন্তু নৈতিকতা বোধ যে আমাৰ মাজত হেৰাই গৈছে তাক নুই কৰিব নোৱাৰো। তেতিয়া হ'লে আমাৰ ভুলবোৰ ক'ত...?

মানুহে একমাত্ৰ প্ৰাণী যাৰ নিজা সংস্কৃতি আছে। সময়ৰ সোঁতত মানুহে ইয়াকো অপব্যৱহাৰ কৰিব লৈছে, নিশ্চয়কৈ এইবোৰে নৈতিকতাৰ অৱক্ষয় ঘটাত অৰিহণা যোগাইছে।

*মোৰ দৃষ্টিত বৰ্তমান শিক্ষা ব্যৱস্থাঃ*

এগৰাকী ছাত্ৰ হিচাপে বিভিন্ন সময়ত বিভিন্ন কথা মনলৈ আহে- পৰীক্ষা গৃহৰ তিনি ঘণ্টাত ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃতি নিৰূপণ কৰিব নোৱাৰি। কিন্তু বৰ্তমান শিক্ষা ব্যৱস্থা হৈছে নম্বৰকেন্দ্ৰীক শিক্ষা ব্যৱস্থা। এই ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে এটা সংকীৰ্ণ পাঠ্যক্ৰমৰ ভিতৰত সোমাই পৰিবলগীয়া হয়। যাৰ দ্বাৰা তিনি ঘণ্টাৰ এশ নম্বৰৰ পৰীক্ষাৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত জ্ঞানৰ পৰিমাপ কৰা হয়। শিশু সময়ছোৱাৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ মাজত নম্বৰকেন্দ্ৰিক মানসিকতা এটা গঢ় লৈ উঠা দেখা যায়। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল প্ৰকৃত জ্ঞান আহৰণত ব্যৰ্থ হৈছে। শিক্ষা জীৱনৰ প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষাৰ আহৰণৰ সময়লৈকে ছাত্ৰ-ছাত্ৰী সকলে প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ পৰা বিভিন্ন সময়ত সমস্যাৰে জৰ্জৰিত হৈছে। প্ৰচলিত শিক্ষা ব্যৱস্থাত নৈতিক মূল্যবোধৰ অভাৱ ঘটা পৰিলক্ষিত হয়। প্ৰায়ভাগছাত্ৰ-ছাত্ৰীয়ে সীমিত জ্ঞানৰ পৰিসৰত আৱদ্ধ হৈ থাকে।এনেকুৱা বহু ছাত্ৰ-ছাত্ৰী আছে যিয়ে প্ৰাথমিক জ্ঞান লাভ নকৰাকৈ উচ্চ শ্ৰেণী পায় গৈ, স্কুলত তেওঁলোকৰ উন্নতিৰ ফলাফল শূন্য। সৰ্বশিক্ষাৰ দোহাই দি সেইসকল ছাত্ৰ-ছাত্ৰীয়ে আগবাঢ়ে আৰু আধা বাটতে শিক্ষা জীৱনৰ মোঁখনি মাৰে নিশ্চয়কৈ প্ৰচলিত শিক্ষা ব্যৱস্থাই এইবোৰ কৰিবলৈ বাধ্য কৰাইছে।

প্ৰথাগত শিক্ষা পদ্ধতিৰ দ্বাৰা পৰিচালিত হোৱা ছাত্ৰ-ছাত্ৰীয়ে এটা সময়ত হতাশাত ভোগে। কিয়নো শ্ৰেণীৰ পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰী জনেও পিছলৈ প্ৰতিযোগিতামূলক পৰীক্ষাত বাৰম্বাৰ বিফল হয়।প্ৰচলিত শিক্ষা ব্যৱস্থা লগতে অভিভাৱক সকলৰ মাজত গঢ় লৈ উঠা টিউচন কেন্দ্ৰিক মানসিকতাই ছাত্ৰ-ছাত্ৰীসকলক বিপথে পৰিচালিত কৰিছে।

স্নাতক পৰ্যায়ৰ পৰীক্ষাসমূহ যাণ্মাসিক পদ্ধতিৰ হোৱাৰ পৰাই এটা কথা মনলৈ আহে যে সময়ৰ নাটনি হয়। নিশ্চয়কৈ ছয়মাহৰ মূৰত অনুষ্ঠিত কৰা যাণ্মাসিক পৰীক্ষাসমূহত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ কাৰণে সময় নাপায়, যাৰ ফলত কিছুমান বিশেষ notes ৰ সহায় লৈ পৰীক্ষাত বহে, সেয়েহে ছাত্ৰ-ছাত্ৰীৰ বিষয় বস্তুৰ ওপৰত ধাৰণা নাথাকে। দুখৰ কথা এইটোৱে যে ছাত্ৰ-ছাত্ৰীৰ মনত দুৰ্বাৰ হেঁপাহ পৰীক্ষাত ভাল ফলাফলক লৈ, কিন্তু প্ৰায়ে দেখা যায় শিক্ষা বিভাগৰ পৰীক্ষা নিয়ন্ত্ৰনত চলি থকা চৰম অৰাজকতা। চকুৰ সন্মুখতে বহুত কিবা কিবি হৈ যায়।এয়া আৰু কেনেকুৱা পদ্ধতি বা ব্যৱস্থা যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতকলৈ হেতালি খেলা হয়। সময়ৰ মৰ্যাদা বুজি নাপায়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাক লৈ প্ৰত্যেকজনছাত্ৰ-ছাত্ৰী চৰম অনিশ্চয়তাত থাকে। নিশ্চয়কৈ ইয়াতকৈ দুখৰ কথা একো

হব নোৱাৰে। প্ৰচলিত শিক্ষা ব্যৱস্থাই আজি নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে। লাখ লাখ নিবনুৱাই হতাশাত দিন পাৰ কৰিছে।ইয়াৰ কাৰণ এই শিক্ষা ব্যৱস্থাত বৃত্তিমুখী শিক্ষাৰ অভাৱ ঘটিছে। সকলোৰে ইচ্ছা অভিপ্ৰায় ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ আৰু প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীৰ এই অভিপ্ৰায় বিফল হয়।গতিকে প্ৰচলিত পাঠ্যক্ৰম বা শিক্ষা ব্যৱস্থাটোক বৃত্তিমুখী কৰি গঢ় দিব লাগে আৰু তেতিয়াহে নিবনুৱা সমস্যা হ্ৰাস হব বুলি আশা কৰিব পাৰি।■

*লিখক বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ*



# বৃদ্ধাশ্ৰম, যুৱ প্ৰজন্ম আৰু কিছু চিন্তা...

জ্যোতিস্মিতা শৰ্মা

আমি স্কুলত পঢ়ি থাকোতে কোনোবা এটি শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত 'নীতিশিক্ষা'ত পঢ়িবলৈ পাইছিলো যে ভাৰতীয় সমাজ ব্যৱস্থাত চাৰি আশ্ৰমৰ ব্যৱস্থা আছিল- ব্ৰহ্মচৰ্য, গাৰ্হস্থ, বানপ্ৰস্থ আৰু সন্ন্যাস। প্ৰথম বিধ আশ্ৰমত পঢ়া শুনা কৰি উঠি গাৰ্হস্থাশ্ৰমত বিয়া-বাৰু কৰাই সংসাৰ ধৰ্ম পালন কৰাৰ নিয়ম। ইয়াৰ পিছত সংসাৰত সন্তানৰ প্ৰতি থকা কৰ্তব্য পালন কৰি তেওঁলোকৰ হাতত সংসাৰ গটাই দি পিতৃ-মাতৃয়ে সংসাৰৰ মায়া মোহৰ পৰা অব্যাহতি লোৱাৰ অভ্যাস গঢ়িবৰ বাবে বানপ্ৰস্থাশ্ৰমৰ ব্যৱস্থা কৰা হৈছিল। আকৌ সন্ন্যাসাশ্ৰমত সন্ন্যাসী হৈ ঘৰৰ পৰা আতৰি বনলৈ গৈ ঈশ্বৰৰ আৰাধনাত মগ্ন হৈছিল। আমাৰ এই আলোচ্য বিষয়- 'বৃদ্ধাশ্ৰম' ব্যৱস্থাটি বানপ্ৰস্থাশ্ৰমৰেই নামান্তৰ।

জীৱনৰ বিয়লি বেলাত বিভিন্ন কাৰণত নিঃসঙ্গ জীৱন কটাবলগীয়া হোৱা বৃদ্ধ সকলৰ নিমিত্তে দৈনিক জীৱনৰ প্ৰয়োজনীয় আটাইবোৰ সা-সুবিধা থকা আশ্ৰয়-স্থলেই হৈছে বৃদ্ধাশ্ৰম। বৰ্ত্তমান সময়ত বৃদ্ধাশ্ৰমৰ প্ৰাসংগিকতা অত্যন্তই আৱশ্যকীয় যেন ভাৱ হয়। জন্মৰে পৰাই মা-দেউতাকেই আমি সবাতোকৈ আপোন ৰূপত পাইছো। এই আপোন দুজন ব্যক্তিৰ অবিহনে আমি আনকি নিজৰ বাবে সামান্যতমো যোগ্য নাছিলো। মা-দেউতাই আমাক আমাৰ যোগ্য কৰি তুলিবলৈ অকনো পিছ নুহুকি নিজৰ সৰ্বস্ব উজাৰি দিয়ে। নিজৰ দৈনন্দিন কৰ্মজড়িত দুখ-কষ্টৰ পৰিধিৰ পৰা ওলাই আহি তেওঁলোকে সন্তানৰ অসুখ-বিসুখৰ সময়তো সুখৰ এটি হাঁহি চাবলৈয়ে উজাগৰী নিশা কটাবলৈও অকনো কুণ্ঠাবোধ নকৰে। শিশুই নিজে খুটি খোৱাৰে পৰা আৰম্ভ কৰি পঢ়াই-শুনাই নিজৰ ভৰিত থিয় হ'ব পৰা ভাল মানুহ হিচাপে সমাজত স্থান লাভ কৰাবৰ বাবে পিতৃ-মাতৃৰ যি হাড়ভগা পৰিশ্ৰম, তাক এই লিখনিৰে বৰ্ণনা কৰাটো খুবেই কঠিন। তেওঁলোকে নিজৰ সকলোবোৰ সুখ-দুখ বিসৰ্জন দি সন্তানৰ উজ্বল তথা সুখী জীৱন এটি গঢ় দিবলৈয়ে দিন-ৰাতি একাকাৰ কৰি সুখী হয়। এই ঋণ সন্তানে সম্পূৰ্ণ ৰূপত পৰিশোধ কৰাটো নিশ্চয়কৈ অসম্ভৱ। কিন্তু তেওঁলোকৰ ৰঙীন ভৱিষ্যৎ এটিৰ বাবে তেজ পানী কৰা পিতৃ-মাতৃৰ বাকী থকা জীৱনকাল সুখী কৰি ৰাখিবলৈ সন্তানে যদি সংকল্পবদ্ধ হৈ কৰ্মত অগ্ৰসৰ হয়, তেন্তে তেনেবোৰ পিতৃ-মাতৃৰ শেষ আশ্ৰয়স্থল ঋনাত্মক ভাৱে বৃদ্ধাশ্ৰম নহয়গৈ।

প্ৰায়েই টি.ভি., বাতৰি কাকত বা যিকোনো ছ'ছিয়েল মিডিয়াত দৃষ্টি হৰি নিয়া হৃদয়বিদাৰক কিছুমান পাওঁ। তাৰ ভিতৰত, কিছুমান উচ্চ পদত অধিষ্ঠিত সন্তানৰ মাক-দেউতাকৰ প্ৰতি যি নিকৃষ্ট ব্যৱহাৰ তথা মনোভাৱ সেয়া ইমানেই দুখজনক যে প্ৰকাশ কৰাত আমি ব্যৰ্থ। তেওঁলোক ক্ষমতাশীল পদত নিয়োজিত হৈ ইমানেই শক্তিশালী হৈ পৰে যে, তেওঁলোকক ক্ষমতাশালী কৰাৰ আঁৰত থকা এসময়ৰ সবাতোকৈ আপোন মানুহ দুগৰাকীৰ চকুপানীয়েও তেওঁলোকৰ হৃদয়ত কম্পন সৃষ্টি কৰিব নোৱাৰে।তেওঁলোকে পাহৰি যায় পিতৃ-মাতৃয়ে তেওঁলোকক সমাজত ঠাই দিবলৈ কৰা মাত্ৰাধিক পৰিশ্ৰমৰ কথা, তেওঁলোকক কৰা মৰম-আদৰৰ কথা, পাহৰি যায় যে মাত্ৰ তেওঁলোকৰ বাবেই সুখৰ জীৱনক নেওঁচা দি দুখক আকোঁৱালি লৈ জীৱন কটাইছিল পিতৃ-মাতৃয়ে। আমি বেছিভাগ সময়তে অনিচ্ছাকৃত ভাৱে জ্ঞাত হওঁ, সন্তানে বৃদ্ধ মাক বা দেউতাকক কোনো এখন বৃদ্ধাশ্ৰমত গতাই দি বছৰজুৰি একো খবৰ নাৰাখে, বেমাৰ-আজাৰ হোৱা বুলি জানিও এবাৰলৈ দেখা কৰিবলৈ অহাতো দূৰৈৰ কথা, সম্পূৰ্ণৰূপে নিৰ্বিকাৰ হৈ হে থাকে। আকৌ শুনিবলৈ পাওঁ নিজ সন্তানে বৃদ্ধা ৰুগীয়া মাকক কোনো কাৰণত বেত্ৰাঘাত কৰাৰ খবৰ।মাক বা দেউতাকক ক'ৰবাত

একেবাৰে অচিনাকি ঠাইত এৰি থৈ কিছুমান সন্তানে নিজ বাট পোনাই সুখী হয়।এনেকুৱা নিজৰেই তেজৰ দ্বাৰা অনাকাংক্ষিতভাৱে অৱহেলিত অসহায় বৃদ্ধ বা বৃদ্ধাসকলক বৃদ্ধাৱাস সমূহে জীয়াই থকাৰ এক নতুন উৎসাহ যোগায়।

আজিৰ এই যান্ত্রিক যুগত নবীন প্রজন্মই জিৰণিৰ সময় বুলিবলৈ খুউব কমেহে পায়। প্রতিযোগিতামূলক দৌৰখনত নিজকে জড়িত কৰাই তেওঁলোকে নিজৰ বাবেই প্রয়োজনীয় আহৰিকন নাপায়। তেনেস্থলত তেওঁলোকে পৰিয়ালক দিবলৈ সময়ৰ নাটনি হয়। আমাক কিছুমান শিশুকালৰ স্মৃতিয়ে বৰকৈ মনত দোলা দি যায়।আমি ভাগ্যবান যে এতিয়াৰ শিশুৰ নিচিনাকৈ আমাৰ শিশুকালত ইমান যান্ত্রিকতা নাছিল। আমি মানসিক ভাৱে ভাগৰুৱা নাছিলো। দৈনিক ৰাতি পঢ়া-শুনাৰ উপৰিও চোতালত ঢাৰি পাৰি আইতাৰ সৈতে উমলি-জামলি ধ্রুৱতৰা বিচৰাৰ কথা এতিয়াও মনত পৰে। আজিৰ শিশুই নালাগে বাৰু আকাশৰ তৰা গণিব; কিন্তু, কিমানজন শিশুই আইতাকৰ বিচনীৰ বা-ত গা শাঁত পেলাই টোপনিয়াব পাৰিছে? প্রতিযোগিতামূলক দৌৰখনত বৰ্তি থাকিবলৈয়ে মানুহে নিজকে কর্ম ব্যস্ত কৰি তুলিবলৈ বাধ্য হ'ল।তেওঁসকলৰ সময়ৰ অভাৱৰ বাবেই পিতৃ-মাতৃয়ে অকলশৰীয়া অনুভৱ কৰিবলৈ লয়। বৃদ্ধ পিতৃ-মাতৃয়ে অকণমান হাঁহি-ধেমালিৰ বাবে পৰিয়ালৰ লোকৰ পৰা সংগ বিচাৰে, আৰু পুত্র-বোৱাৰী তথা নাতি-নাতিনীয়ে সেই সময়কন নিজৰ দৈনন্দিন ৰুটিনৰ পৰা উলিয়াই লবলৈ অসুবিধা পোৱা পৰিলক্ষিত হয়।আচলতে আজিৰ প্রজন্মই নিজস্ব কর্মত ইমানেই বেছি জড়িত হৈ পৰে যে বৃদ্ধ মাক-দেউতাকৰ প্রতি থকা শ্রদ্ধা তথা মৰমৰ আৰেশত তেওঁলোকৰ বাবে সময় উলিয়াই ল'লেও কর্মবিমুখ হোৱা বুলি নিজৰেই যেন ভাৱ হয়।এইক্ষেত্রত বৃদ্ধাশ্রমসমূহৰ গুৰুত্ব যথেষ্টখিনি নির্ণায়ক। পৰিয়ালে ইচ্ছা সত্বেও দিবলৈ অপাৰগ হোৱা সময়কন তথা সংগলাভৰ পৰা বঞ্চিত হৈ পিতৃ-মাতৃয়ে খুবেই অকলশৰীয়া অনুভৱ কৰিবলৈ লয়। সকলো দিশৰ পিনে লক্ষ্য কৰি অনুধাৱন কৰিব পাৰি যে এই বৃদ্ধসকলৰ বাবে বৃদ্ধাশ্রমেই শেষ আশ্রয়ৰ বাবে অতি উপযুক্ত স্থান। প্রায়সমবয়সীয়া অন্যান্য বৃদ্ধ-বৃদ্ধাৰ সৈতে হাঁহি-ধেমালিৰে জীৱনৰ অন্তিম সময়কন কটাব পাৰিলে তেওঁলোক নথৈ আনন্দিত হয়।সকলোতকৈ গুৰুত্বপূর্ণ কথা তেওঁলোকে কেতিয়াও অকলশৰীয়া অনুভৱ কৰিবলগীয়া নহয়।পৰিয়ালেও নিশ্চিতমনে সময় সুবিধা মিলাই মাজে সময়ে দেখা সাক্ষাত্ কৰি থাকিব পাৰে বৃদ্ধসকলক।

বৃদ্ধাশ্রমৰ সংখ্যা আগৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে। ইয়াক ধনাত্মক দিশৰ পৰা চালে মন্তব্য কৰিব পাৰি যে বৃদ্ধাশ্রমৰ গুৰুত্ব যথেষ্ট ভাৱেই স্বীকার্য।পশ্চিমীয়া দেশবোৰত বহুত আগৰে পৰাই বৃদ্ধাশ্রমৰ ব্যৱস্থা আছে।বৃদ্ধসকলে উচিত চিন্তা ধাৰাৰে সময়ৰ মূল্য বুজি নিজৰ ব্যৱস্থা আগতীয়াকৈ নিজেই কৰি থয়; যাতে অন্তিম বেলাত নিঃসংগ জীৱন এটি কটাই অসুখী হবলগীয়া নহয়। আজি আমাৰ দেশৰ বাস্তৱ প্রতিচ্ছবি এয়াই যে বৃদ্ধসকলে অনাদৰ অৱহেলা লাভ কৰি মানসিকভাৱে বিধ্বস্ত হৈ জীয়াই থকাৰ সামান্য আশাকনো মৰহি যায় আৰু অনিচ্ছাকৃতভাৱে দিনবোৰ তেনেকৈয়ে পাৰ কৰিব লগা হয়। গতিকে আমি গমি চালে ক'ব পাৰো যে সকলোৰে সুবিধা-অসুবিধাৰ প্রতি লক্ষ্য ৰাখি পিতৃ-মাতৃয়ে সন্তানৰ সৈতে সত্ আলোচনাত মিলিত হৈ সর্বসম্মতিক্রমে জীৱনৰ বাকী থকা কালছোৱা বৃদ্ধাশ্রমত কটোৱাটোৱেই মংগলজনক আমাৰ দৃষ্টিত। কিন্তু বৃদ্ধাশ্রমত পিতৃ-মাতৃক স্থান দিয়েই সন্তানে দায়িত্ব শেষ কৰিব নালাগিব। পিতৃ-মাতৃৰ প্রতি দায়িত্ববোধ, শ্রদ্ধাভক্তি তথা মৰম আদৰক বৰ্তাই ৰাখিব পাৰিলেহে বৃদ্ধসকলে নৱপ্রজন্মৰ পৰা আশানুৰূপ আনন্দ লাভ কৰিব। কিন্তু, বৃদ্ধসকলৰ শেষ আশ্রয়স্থলী যে আশ্রমখনেই হ'ব লাগিব তেনে নহয়; মাজে-সময়ে উছৱ-পার্বনে স্বাধীনভাৱে নিজৰ আপোন ঘৰখনলৈ আহ-যাহ কৰিব পৰাৰ সুবিধাকন সন্তানে কৰি দিব লাগিব। তেহে তেওঁলোক মানসিকভাৱে জীৱনৰ বাকী দিনকেইটা সুখী তথা শক্তিশালী হৈ থাকিবলৈ সক্ষম হ'ব। ■

*তৃতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ*

# শিশুৰ নৈতিকতাৰ বিকাশত পৰিয়ালৰ ভূমিকা

নিতুমনি দাস



পৰিয়ালেই হৈছে শিশুৰ নৈতিক শিক্ষা আহৰণৰ সৰ্বপ্ৰথম শিক্ষা অনুষ্ঠান। এইক্ষেত্ৰত মাক-দেউতাকৰ ভূমিকা বিশেষ মন কৰিবলগীয়া। নৈতিক দিশত শিশুৱে সাধাৰণতে মাক-দেউতাকৰ কৰ্তৃত্ব মানি চলে, কাৰণ তাৰ বাবে মাক-দেউতাকেই হৈছে সৰ্বজ্ঞ, সৰ্বশক্তিমান আৰু আদৰ্শৱান ব্যক্তি। মাক দেউতাকৰ হকা-বধা আৰু বাধা দান কাৰ্য স্বাভাৱিক অৱস্থাত শিশুৱে মানি চলাটো পৰিলক্ষিত হয়। সেইবাবে ইয়াৰ পূৰ্ণ উপযোগ কৰি শিশুৰ মনত 'উচিত আৰু অনুচিত' ক্ৰিয়াৰ নৈতিক চেতনা সাধাৰণভাৱে গঢ় দি তোলাটো প্ৰতিগৰাকী পিতৃ-মাতৃৰে এক প্ৰধান কৰ্তব্য। মাক-দেউতাকৰ প্ৰতি থকা শিশুৰ এই আনুগত্যৰ সুবিধা লৈ তেওঁলোকে শিশুক হকে-বিহকে বাধা দান কৰি তাৰ মনত এক অবাস্তৱ আৰু ভুৱা নৈতিকতাৰ কেতিয়াও সৃষ্টি কৰিব নালাগে। এনে কৰিলে শিশুৰ মনত নৈতিকতাৰ দিশত নানা বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে। কাৰণ এনে আচৰণে শিশুৰ মনত প্ৰকৃত নৈতিকতাৰ অনুভূতি জগাই তুলিব নোৱাৰি এই দিশত খেলিমেলিৰহে সৃষ্টি কৰিব পাৰে। এইক্ষেত্ৰত প্ৰতিগৰাকী পিতৃ-মাতৃ সচেতন হোৱাটো অতি আৱশ্যক।

শিশুৰ নৈতিক চেতনা গঢ় দি তোলাত পিতৃ-মাতৃৰ শাস্তি প্ৰদান কাৰ্যই বিশেষ কাম দিয়ে। অৱশ্যে শাস্তি প্ৰদান কৰাৰ ক্ষেত্ৰতো পিতৃ-মাতৃসকল বিশেষভাৱে সচেতন হ'ব লাগিব। যিকোনো ক্ষেত্ৰতে জধে-মধে শিশুক শাস্তি প্ৰদান কৰিলে তাৰ ফলাফল ভয়াৱহ হৈ পৰিব পাৰে। শাস্তিৰ প্ৰয়োজনীয়তা, প্ৰয়োগৰ পৰিস্থিতি, প্ৰয়োগৰ পদ্ধতি আৰু তাৰ মাত্ৰা সম্বন্ধে বিশেষ সাৱধান হ'ব লাগে। এইক্ষেত্ৰত উল্লেখ কৰা ভাল যে যিসকল মাক দেউতাকৰ লগত শিশুৰ ভাল বুজাপৰা আৰু মৰমৰ আবেগিক সম্বন্ধ থাকে, তেওঁলোকে দৈহিক শাস্তি-প্ৰয়োগৰ কোনো প্ৰয়োজন নাই। এনে শিশুক সাধাৰণভাৱে শাস্তি প্ৰদানৰ ব্যৱস্থা কৰি তেওঁলোকক অনৈতিক কামৰ পৰা আঁতৰাই ৰাখিব পাৰি। শিশুৰ অনৈতিক আৰু আপত্তিজনক ক্ৰিয়া আচৰণৰ বাবে তেওঁলোকে শিশুৰ পৰা আঁতৰি থকা, খোৱা আৰু খেলৰ বস্তু দিবলৈ আপত্তি কৰা, কথা পতা বন্ধ কৰা অথবা শিশুক মৰমৰ পৰা বঞ্চিত কৰা আদিৰ সাধাৰণ ভাবুকিয়েও অতি সক্ৰিয়ভাৱে কাম কৰে। অৱশ্যে এই ক্ষেত্ৰত শিশুৰ বৌদ্ধিক ক্ষমতাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। ইয়াৰ লগতে শিশুৰ লগত মাক-দেউতাকৰ এক নিবিড় আন্তৰিকতা আৰু পাৰস্পৰিক বুজাপৰাৰ ভাৱ থকাটো বাঞ্ছনীয়।শিশুৰ অনৈতিক আচৰণত তেওঁলোকে ক্ষুণ্ণতাৰ ভাৱ আৰু আচৰণ প্ৰকাশ কৰি দুখ-মনেৰে থকা, শিশুৰ লগত কথা নপতা, আদান-প্ৰদান বন্ধ কৰা আদি কাৰ্যই শিশুৰ মনত দোষণীয়, আৰু অনুশোচনাৰ ভাৱ সৃষ্টি কৰিব পাৰে। অৱশ্যে শিশুৰ এনে বিধমনো বৈজ্ঞানিক শাস্তি

প্ৰদানৰ প্ৰভাৱ যাতে ক্ষন্তেকীয়া পৰিস্থিতি সাপেক্ষ হয় তাৰ প্ৰতি পিতৃ-মাতৃয়ে লক্ষ্য ৰখা উচিত।

পৰিয়ালৰ মাজত মাক-দেউতাকে শিশুক মৃদু ভাৱে দৈহিক শাস্তি দিয়াৰ ফলত শিশুৰ মনত নৈতিক ভাৱ সৃষ্টি কৰিব পাৰে। শিশু আচৰণৰ দৈহিক সুখ-দুখৰ পৰিণতিয়ে তাৰ মনত নৈতিক চেতনা জগাই তোলে। শিশুৰ মনত নৈতিকতাৰ ধাৰণা অতি সহজ-সৰল। শিশুৰ সহজ-সৰল বিবেচনা মতে সুখদায়ক পৰিণতি লাভ কৰা মানেই ''ভাল কাম'' আৰু দুখদায়ক পৰিণতি লাভ কৰা মানেই ''বেয়া কাম''। ভাল কামৰ বাবে পুৰস্কাৰ আৰু বেয়া কামৰ বাবে শাস্তি কোনো কোনো সময়ত শিশুৱে বয়োজ্যেষ্ঠ সকলৰ পৰা দাবী কৰাও পৰিলক্ষিত হয়। শিশুৱে বহু সময়ত মাক দেউতাকে প্ৰদান কৰা দৈহিক শাস্তি তাৰ নৈতিক-অনৈতিক ক্ৰিয়া-আচৰণবোৰ বিচাৰৰ মানদণ্ড স্বৰূপেও ব্যৱহাৰ কৰে। 'তালৈ গ'লে মায়ে মাৰিব, অমুকটো কৰিলে দেউতাই খং কৰিব' আদি পৰিচিত উক্তিসমূহে এই কথাৰ সত্যতা নিৰূপণ কৰে। দৈহিক শাস্তি প্ৰয়োগৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে লক্ষণীয় যে এনে শাস্তি প্ৰতিশোধমূলক নহৈ শিশুৰ নৈতিকতাৰ দিশত প্ৰতিষেধক ব্যৱস্থা স্বৰূপেহে ব্যৱহাৰ কৰিব লাগে।

কেতিয়াবা অভিভাৱকে শিশুৰ নৈতিক আচৰণত অতিষ্ঠ হৈ সিঁহতৰ ওপৰত কঠোৰ শাস্তি প্ৰদান কৰা দেখা যায়। শিশুটোক অতিপাত মাৰধৰ কৰা, বন্ধ কোঠাত আৱদ্ধ কৰি ৰখা, ঘৰৰ বাহিৰত উলিয়াই ৰখা ইত্যাদি শাস্তি প্ৰদান কৰিলে শিশু মন বিচলিত হয় আৰু সি ক্ৰমান্বয়ে অপৰাধপ্ৰৱন হৈ উঠে। মনো বিজ্ঞানীসকলে শিশুক এনে শাস্তি প্ৰদানত বাধা প্ৰদান কৰিছে। তেওঁলোকৰ মনে এনে শাস্তি প্ৰদানে শিশুক অৱদমনৰ অসুস্থ পথলৈ ঠেলি দিয়ে। শিশুৰ নৈতিকতা বিকাশৰ বাবে পৰিয়ালে নিম্নোলিখিত কাৰ্য্যবোৰ কৰিব লাগিব –

১) দেশৰ প্ৰতি ভালপোৱা, সমাজৰ প্ৰতি অনুগত্য, আনৰ প্ৰতি আত্মীয়তাৰ ভাৱ, কৰ্তব্যৰ প্ৰতি একাগ্ৰতাৰ ভাৱ, দুখ-কষ্টৰ প্ৰতি সহিষ্ণু তাৰ ভাৱ জগাই তোলা পৰিবেশ এটা ঘৰখনত সৃষ্টি কৰিব লাগিব।

২) বিভিন্ন ধৰণৰ নৈতিকতাপূৰ্ণ সাধুকথাবোৰ মাক-দেউতাকে শিশুবোৰক মাজে-সময়ে ক'ব লাগে।

৩) পৰিয়ালৰ প্ৰতিজন সদস্য মাজত মৰম, বিশ্বাস, ভালপোৱা আদিবোৰ গভীৰ হ'ব লাগে।

৪) শিশুটোক ভাল কামৰ বাবে সদায় উৎসাহী কৰি তুলিব লাগে।

৫) শিশুৰ নৈতিকতাপূৰ্ণ আচৰণৰ বাবে তাক প্ৰশংসা কৰা উচিত।

শিশুৰ নৈতিক শিক্ষাৰ বাবে পৰিয়ালে অতীতৰে পৰা মূখ্য ভূমিকা লৈ আহিছে। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমাজত দিনকদিনে স্খলন হ'বলৈ ধৰা নৈতিকতাৰ উত্তৰণৰ বাবে মাক-দেউতাকৰ বিশেষ সহিষ্ণুতা, বুদ্ধিমত্তা আৰু দূৰ দৃষ্টিৰ প্ৰয়োজন যাৰ দ্বাৰা তেওঁলোকে অতি সহজে শিশু মনক নৈতিকতাৰ সুস্থ বিকাশ ঘটাব পাৰিব।■

> শিশুৰ মনত 'উচিত আৰু অনুচিত' ক্ৰিয়াৰ নৈতিক চেতনা সাধাৰণভাৱে গঢ় দি তোলাটো প্ৰতিগৰাকী পিতৃ-মাতৃৰে এক প্ৰধান কৰ্তব্য। মাক-দেউতাকৰ প্ৰতি থকা শিশুৰ এই আনুগত্যৰ সুবিধা লৈ তেওঁলোকে শিশুক হকে-বিহকে বাধা দান কৰি তাৰ মনত এক অবাস্তৱ আৰু ভুৱা নৈতিকতাৰ কেতিয়াও সৃষ্টি কৰিব নালাগে। এনে কৰিলে শিশুৰ মনত নৈতিকতাৰ দিশত নানা বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে। কাৰণ এনে আচৰণে শিশুৰ মনত প্ৰকৃত নৈতিকতাৰ অনুভূতি জগাই তুলিব নোৱাৰি এই দিশত খেলিমেলিৰহে সৃষ্টি কৰিব পাৰে।

*লেখিকা এই মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা*

• প্ৰসংগ পুথি – শিশু মনোবিজ্ঞান, যতীন বৰুৱা।

# Mobile Phone: OPPORTUNITIES AND CHALLENGES for students

Pulama Talukdar

The world has changed in last two decades. The most important Technology that is responsible for this change is Information and Communication Technology (ICT) and the use of mobile phone has made ICT to reach the unreached. Mobile phone with the growing number of gadgets such as MP3, internet, camera (still and videos) has taken the place of the most popular device. It's smaller size and cost-effectiveness helped to increase its popularity. For the people from different demographic groups mobile phone becomes an important technologic toolof communication, but the teenagers have been most eager to embrace this technology. Their tendencies of expressing self-identity and traits of susceptibility to fashions and styles may be the reason behind this eagerness. Mobile phone takes a dual role for the teenagers, on one hand it enforces parental interaction and supervision but on the other hand it permits intensive social interactions with the peer group beyond parental control. Ling R, a scientist of San Francisco, compare mobile phone with 'umbilical' cord, that permits a permanent channel of communication for special distance keeping teenagers under parental control.


Mobile phone use radio frequency waves which is within the microwave part of the electromagnetic spectrum, to transmit signals to and fro. These microwaves are responsible for heating effect. So holding a mobile phone to our ear for long time, as many of us do today, is effective equal to holding an electronic microwave emitting device which shoots microwaves into our head. Many scientific researches highlight possible risks associated with radio frequency radiation emitted by mobile phone. Some studies say that microwave radiation can degenerate the brain cells of those who has been using mobile phone for 10 years or longer. Degeneration of brain cells leads to serious diseases likeAlzheimer'sdisease, Parkinson's disease among others. Although not yet completely proven, mobile phones are also associated with a number of ailments such as cancer, difficulty in concentration, fatigue, headache and sleep disturbance. Children nevertheless have a special status of mobile phone users, among others, because brains continue to develop even up to 20 years of age.

With the rise of different apps games and internet mobile phone has become a shop for entertainment which make teenagers and young children addicted to mobile phones. They spend most of their valuable time sticking to this device. Texting a friend is a tempting diversion that many students select over listening to lecture or completing a class assignment. This irrational use of mobile phone (over use of Facebook WhatsApp for long duration gossiping etc.) distracts the student from their study and performing their study works not only in the home but also in the classroom and even in the examination hall. Many of the features of mobile phones can also be used to engage in inappropriate behaviors. Taking inappropriate pictures and then 'texting' them to a boyfriend or girlfriend is a growing problem today.

Mobile phones presents both opportunities and challenges for today's students. It can be a helpful academic tool, or a harmful academic disruption depending upon the attitude students will be able to find anything they want to find right at the time they need. Whether it is general information or the information related to the course, the mobile device helps them achieve it very fast. Uses of mobile phone can also enhance one's ability to communicate with other and can help to organize social life of a person. Parents want their children to have a mobile phone for their safety when they are venturing outside the home alone.

While there are a number of disadvantages of mobile phones their benefits ultimately outweigh the negatives as has been seen from the rising trend of mobile phone usage in the past two decades. It becomes a necessity now-a-days, but the students should take care of its negative aspects and use this technology to get optimum advantage. ■

*Pulama Talukdar is Assistant Professor of Dept. of Physics*





# মোবাইল ফোন, যুৱ সমাজ আৰু বৌদ্ধিক দীনতা

✍ শ্ৰীযুত অজিত কুমাৰ শৰ্মা

অৰ্থনৈতিক উন্নয়ন, তথ্য প্ৰযুক্তিৰ উত্তৰণ, বিজ্ঞানৰ নিত্য নতুন চমৎকাৰিত্ব; প্ৰাকৃতিক লগতে সামাজিক পৰিৱেশৰ পৰিৱৰ্ত্তন আৰু সৰ্বোপৰি এক ভোগবাদী চৈতন্যৰ ধামখুমীয়াত নিঃসন্দেহে এই কথা ক'ব পাৰি যে আধুনিক মানুহৰ মৌলিক প্ৰয়োজনীয়তা চাৰি বিধ - অন্ন, বস্ত্ৰ, বাসস্থান আৰু এটি স্মাৰ্ট মোবাইল ফোন। বহুতৰ মনত প্ৰশ্ন জাগিব পাৰে স্মাৰ্ট ফোন কেনেধৰণে মৌলিক প্ৰয়োজনৰ বস্তু হ'ব পাৰে। ই নিতান্তই স্বাভাৱিক কথা। অনস্বীকাৰ্য সত্যটো হৈছে- আমি আজি এনে এক সন্ধিক্ষণত উপনীত হৈছোঁ য'ত আমি এৰিলেও মোবাইল ফোনে আমাক নেৰে। আমি এনেকৈওঁ ক'ব পাৰোঁ যে - স্মাৰ্ট ফোনে আমাক সকলোকে সকলো দিশতে স্মাৰ্ট বা সপ্ৰতিভ(?) কৰিবলৈ ইয়াৰ হাতোৰা মেলি দিছে আৰু বহুজাতিক কোম্পানীৰ দ্বাৰা নিৰ্মিত; অত্যাধুনিক কাৰিকৰী কৌশল সমৃদ্ধ, চুইচ টিপিলেই নিজৰ পচন্দ অনুসৰি পৃথিৱীৰ যিকোনো প্ৰান্তত থিয় দি Internet ৰ দুৱাৰ খুলি বিভিন্ন তথ্য, ভিডিঅ' আমি উপভোগ কৰি আত্মতুষ্টি লাভ কৰিবলৈ উদ্যত হওঁ।

এটা কথা স্বীকাৰ কৰিবই লাগিব যে স্মাৰ্ট ফোনে সঁচা অৰ্থতেই এক বৃহৎ সম্ভাৱনাৰ দুৱাৰ আমাৰ আগত উদ্ভাসিত কৰি তুলিছে।ইয়াৰ সদৰ্থক প্ৰয়োগ আৰু ব্যৱহাৰে বহুতৰেই জীৱন ধন্য কৰিছে আৰু যি তথ্য বিচাৰি হাবাথুৰি খায়ো সংগ্ৰহ কৰিব নোৱাৰি সেই তথ্য Google Search কৰিয়েই আপোনা আপোনি আমাৰ আগত প্ৰকট হৈ উঠে। বিজ্ঞান আৱিষ্কৃত প্ৰত্যেকটো বস্তুৰেই দুটা দিশ আছে - ইতিবাচক

আৰু নেতিবাচক। কিন্তু মূল প্ৰশ্নটো হৈছে - কোনে নিৰ্বাচন কৰিব ইতিবাচক আৰু নেতিবাচক দিশবোৰ? এক নগণ্য সংখ্যক সুবিবেচনাসম্পন্ন, সৃষ্টি কামী মানসিকতাৰে পুষ্ট আৰু সদৰ্থক চিন্তাধাৰাৰ ব্যক্তিৰ বাহিৰে বুজন সংখ্যক তৰুণ-তৰুণী, আদ বয়সীয়া পুৰুষ- মহিলা, আনকি জীৱনৰ আদি পৰ্বত ভালকৈ খোজ দিব নোৱাৰা কিশোৰ কিশোৰী, শিশুৰ হাততো আমি বিনাদ্বিধাই স্মাৰ্ট ফোন একোটা তুলি দিছোঁ আৰু দেখা গৈছে এইসকল ব্যক্তিৰো মনক সংযত কৰি বিবেকক আগ স্থান দিয়াৰ প্ৰৱণতা নাই। এজন প্ৰখ্যাত দাৰ্শনিকে (নামটো পাহৰিলোঁ) এষাৰ উল্লেখযোগ্য কথা কৈ গৈছে- ''তোমাৰ হাতত যদি এখন ডেগাৰ থাকে তেনেহ'লে তুমি সেইখন চলাব নোৱাৰা, বৰঞ্চ ডেগাৰ খনেহে তোমাক চলাই থাকিব''। আজি সমাজত দেখা দিয়া নিষ্ঠুৰতা, অসহনীয় মনোভাৱ, হিংসা, ব্যভিচাৰ, যৌন অপৰাধ, ধৰ্ষণ, হত্যাকাণ্ডৰ মাত্ৰা আৰু সংখ্যালৈ চাই স্মাৰ্ট ফোনটোকেই মুখ্যতঃ জগৰীয়া কৰিব পাৰি যদিও ইয়াৰ বাবে আন কাৰক কিছুমানো দায়ী যেনে- সামাজিক পৰিৱেশ, পাৰিবাৰিক পৰিৱেশ (সংস্কৃতি), মদ-ভাং আদিকে ধৰি বিভিন্ন নিচা জাতীয় দ্ৰব্যৰ অবাধ প্ৰচলন, সহজে ধন ঘটাৰ আসক্তি, ভোগবাদী মানসিকতাৰ উত্তৰণ ইত্যাদি। অসমীয়া জাতি আৰু সংস্কৃতি উদ্ধাৰৰ প্ৰচেষ্টাত দিন ৰাতি একাকাৰ কৰি ব্ৰতী হোৱা তথাকথিত কিছু সংখ্যক সংগঠন, অনুষ্ঠান, বা সমাজ সংগঠক, সমাজ সংস্কাৰক আদিয়েও এইক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰা দেখা গৈছে। ক'ৰবাত দুই এষাৰ প্ৰতিবাদ কৰিলেও বৈপ্লৱিক চিন্তাধাৰা জাগ্ৰত কৰাৰ কোনো ধৰনৰ প্ৰয়াস দেখা নাযায়। সকলোৱে নিজৰ গা বচোৱাৰ চেষ্টাত মগ্ন বা ব্যক্তিগত লাভালাভৰ অংকত সামাজিক অৱক্ষয় আৰু নৈতিক অধঃপতন দেখিও এইসকল লোক বা সংগঠনে দুখ লগাকৈ নীৰৱতা অৱলম্বন কৰিছে।

মোবাইল ফোন আৰু যুৱ সমাজৰ মনস্তত্ত্বত ইয়াৰ প্ৰভাৱ বিচাৰ কৰাৰ আগতে আন কিছুমান গুৰুত্বপূৰ্ণ দিশ উলাই কৰিলে মহা ভুল কৰা হ'ব। আজি যি নৈতিক প্ৰমূল্যবোধৰ অভাৱ বা সামাজিক চেতনাৰ অৱক্ষয় তাৰ বাবে কি অকল যুৱ সমাজক দোষাৰোপ কৰিয়েই আমি হাত সাৰি থাকিব পাৰিম নে? যুৱ সমাজৰ অগ্ৰজসকল বা পথিকৃত বয়োজ্যেষ্ঠ সকল মুঠেই দোষৰ ভাগী নহয়নে? মোবাইল ফোনৰ লগত দিনটোৰ সৰহ সময় ব্যয় কৰা এই যুৱক যুৱতীসকলৰ ঘৰুৱা পৰিৱেশ বা তেওঁলোকৰ অভিভাৱক সকলৰ ভূমিকা এইক্ষেত্ৰত কেনেকুৱা হোৱা উচিত? যেতিয়া মাক দেউতাকে অনবৰতে মোবাইলৰ লগত ব্যস্ত হৈ বা বিভিন্ন কাৰণৰ বাবে বাহিৰত ঘূৰা ফুৰা কৰি সন্তানৰ বাবে এখন্তেক সময়ো আছুতীয়াকৈ ৰাখিব নোৱাৰে বা অকল ভাল ভাল দিহা- পৰামৰ্শ বা নৈতিক শিক্ষাৰ পাঠ আওৰাই নিজে তেনেকুৱা নৈতিকতাৰ পৰা শত যোজন দূৰত অৱস্থান কৰে তেনেকুৱা পিতৃ মাতৃৰ সন্তানৰ পৰা আমি কি আশা কৰিব পাৰোঁ? এটা কথা ঠিক যে নিজৰ সন্তানেই হওঁক বা আন কোনো ল'ৰা ছোৱালীয়েই হওঁক- সিঁহতক সংশোধন কৰাৰ আগতে বা সুস্থ নাগৰিক কৰি গঢ়ি তোলাৰ আগতে আমি অভিভাৱক সকল অত্যন্ত সতৰ্ক আৰু সচেতন হোৱাৰ লগতে প্ৰথমতে নিজকে স্বচ্ছ আৰু নিকা কৰি ল'ব লাগিব। অন্যথা উঠি অহা ভৱিষ্যতৰ আশাৰ থলী এই যুৱক যুৱতী সকলৰ পৰা কোনোধৰণৰ ইতিবাচক সঁহাৰি বা লাভদায়ক ফল আমি বাঞ্ছা কৰিব নোৱাৰোঁ। কথাটো এই কাৰণেই ক'ব লগা হৈছে যে কণিষ্ঠ জনে সদায় জ্যেষ্ঠ জনক অনুকৰণ আৰু অনুসৰণ কৰে। দুৰ্নীতিগ্ৰস্ত বা পথভ্ৰষ্ট সংস্কৃতিৰ পূজাৰী কোনো অভিভাৱকৰ সন্তানে এক সুষ্ঠ নৈতিক আদৰ্শৰ অনুগামী হ'ব বুলি আশা নকৰাই ভাল। হাতৰ মুঠিত থকা স্মাৰ্ট ফোনৰ মনিটৰত যদি আমি মাক দেউতাহঁতে অনবৰত দৃষ্টি নিবদ্ধ কৰি কাষত থকা আমাৰ সমাজ খন, আত্মীয় কটুম্ব আৰু আন ব্যক্তিসকলৰ উপস্থিতিক উলাই কৰো তেনেহ'লে আমাৰ সন্তানে সেই একেখিনি কাম কৰি আত্মৰতি বা আত্মসন্তুষ্টি লাভ কৰিলে আমি অসন্তুষ্ট হোৱাৰো কোনো কাৰণ থাকিব নোৱাৰে। যদি এই ধৰণেই আমি যুৱক যুৱতী সকলক শাসন কৰিব বিচাৰো বা সিহঁতৰ পৰা যদি আমি ভাল নোপোৱা কোনো আদৰ্শ বা নৈতিকতা আশা কৰোএইক্ষেত্ৰত উদ্ভৱ হ'ব পৰা দ্বন্দ্ব বা সংঘাত অনিবাৰ্য্য হিচাপেই বিবেচিত হ'বলৈ বাধ্য।

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অতুলনীয় আৰু আচৰ্য্যকৰ অৱদান মোবাইল ফোনত অতি সহজে উপলব্ধ ইন্টাৰনেটৰ জগতখনে অকল যুৱক-যুৱতীচামকেই যে আকৰ্ষিত কৰি তুলিছে তেনে নহয়, শিশুৰ পৰা বৃদ্ধলৈকে, অগনন নাৰী পুৰুষ শিক্ষিতই বা অশিক্ষিতই হওঁক , এক বুজনসংখ্যক আদবয়সীয়া বা মধ্যবয়সীয়া ব্যক্তিকো চুম্বকৰ দৰে ই আকৰ্ষণ কৰি আহিছে।এই ইন্টাৰনেট আসক্তি এতিয়া এক ভয়ংকৰ ব্যক্তিগত আৰু সামাজিক সমস্যাৰূপে স্বীকৃত হৈছে।দৰ্শনৰ ভাষাত মানুহৰ মাজত নিহিত হৈ থকা দ্বিপ্ৰবৃত্তি- বুদ্ধি বৃত্তি আৰু পশু বৃত্তি- দুয়োটাই অত্যন্ত জৰুৰী আৰু অৱধাৰিত।ইতৰ প্ৰাণীৰ দৰে সু-শৃংখল, সভ্য বুলি

দাবী কৰা মানবেও পশুবৃত্তি চৰিতাৰ্থ কৰিবলৈ বাধ্য, কিন্তু মানুহৰ অভ্যন্তৰত নিহিত হৈ থকা বুদ্ধি বৃত্তিৰ বাবে মানুহ সিহততকৈ পৃথক, কাৰণ আমাৰ মগজুৰ ভিতৰত নিহিত হৈ থকা প্ৰজ্ঞাচেতনা বা বুদ্ধি বৃত্তিয়ে ইতৰ প্ৰানীৰ নিচিনা আচৰণ কৰাৰ ক্ষেত্ৰত আমাক বাধা প্ৰদান কৰে। কিন্তু জুঁইৰ মাজত ঘিউৰ প্ৰক্ষেপনে যেনেকৈ বহ্নিশিখাক দুগুণ শক্তিৰে উজ্জীৱিত কৰি তোলে ঠিক তেনেকৈ বুদ্ধি বৃত্তিৰ নিস্প্ৰভ ভূমিকাই বা ইয়াৰ নিগেটিভ প্ৰভাৱে আমাৰ মানুহক চঞ্চল, উদ্বাউল কৰি তোলে আৰু তেতিয়াই আমি পশুবৃত্তি চৰিতাৰ্থ কৰিবলৈ আগবাঢ়ি যাওঁ। বহুত মানুহৰ কাৰণে বয়স লিঙ্গ নিৰ্বিশেষে ইন্টাৰনেট আসক্তিয়ে বুদ্ধি বৃত্তি ভোটা কৰি বা সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰি পশুতকৈও অধম, ঘৃণনীয়, গৰিহণাযোগ্য আৰু কঠোৰ শাস্তিযোগ্য অপৰাধত লিপ্ত হবলৈ উদগনি যোগাই আহিছে আৰু সমাজত দেখা দিয়া ধৰ্ষণ, হত্যাকাণ্ড, চুৰি, ডকাইতি, মাদক দ্ৰব্যৰ প্ৰতি আসক্তি আৰু দৰে গ্ৰাস কৰি আনিছে। চুইচ টিপিলেই অতি সহজতে উপলব্ধ পৰ্ণ চাইটসমূহ, অশ্লীল ভিডিঅ', হিংসাত্মক কাৰ্যকলাপ আৰু অন্যান্য চচিয়েল মিডিয়াসমূহৰ প্ৰচাৰিত নামী-বেনামী মতামত আৰু মন্তব্যসমূহে ফুলকুমলীয়া ল'ৰা-ছোৱালীক অতি সহজে প্ৰভাৱিত কৰে আৰু তেওঁলোকৰ মগজুত ই এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি তাত থকা সৃষ্টিশীল ভাৱধাৰাৰ কোষসমূহক নিষ্ক্ৰিয় কৰি পেলায়। সেয়েহে এক বুজন সংখ্যক ব্যক্তিৰ মনত অপৰাধবোধ জাগ্ৰত হয়। পশুবৃত্তি জাগ্ৰত হোৱাত আবেগেএক মুখ্য ভূমিকা লয় আৰু ই মানুহক চেতনাহীন কৰি তোলে। ফলস্বৰূপে পশুবৃত্তি চৰিতাৰ্থ কৰিবলৈ এটা চাম উদ্বাউল হৈ পৰে। ধৰ্ষণ কৰি হত্যা কৰাৰ ক্ষেত্ৰত এই পশুবৃত্তিয়ে উদগণি যোগায়।কিন্তু কি পন্থা? বুদ্ধীজীৱি, চৰকাৰ, সমাজ সংস্কৰক সকলো নিমাত। ভৱিষ্যতৰ বংশধৰ এজাক যুৱক-যুৱতী পথভ্ৰষ্ট হৈ অপৰাধী মানসিকতাৰ গৰাকী হৈ সামাজিক

মোবাইল ফোনৰ অপহ্যৱহাৰ আৰু অপপ্ৰয়োগৰ ফলস্বৰূপে এচাম উদণ্ড, উতনুৱা, গুৰুগোসাই নমনা আৰু জেষ্ঠজনৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন নকৰা তৰুণ-তৰুণীৰ সৃষ্টি হৈছে আৰু সিহঁতৰ বৌদ্ধিক বিকাশ কলিতে মৰহি যোৱাৰ উপক্ৰম হৈছে। আজি কিছুদিন আগলৈকে ইণ্টাৰনেটত সুলভ Blue Whale নামৰ খেলবিধত আসক্ত হৈ বহুতো কিশোৰ, যুৱক-যুৱতীয়ে চুইচাইড কৰিছিল। ইণ্টাৰনেটৰ ৰঙচঙীয়া জগতখন ইমানেই মোহনীয়া আৰু আকৰ্ষণীয় যে বহুতো যুৱক-যুৱতী, কিশোৰ-কিশোৰীয়ে আনকি মৃত্যুৰ আহ্বানো উপেক্ষা কৰিব পৰা নাই। ইয়াতকৈ ভয়াবহ অধঃপতন আন কি হব পাৰে।

বিভিন্ন ক্ষেত্ৰত উদয় হোৱা কলা সাম্ৰাজ্য (Dark World) ৰ বিস্তাৰৰ বাবে, লগতে নাৰকীয় অপৰাধৰ এখন ক্ষেত্ৰ পূৰ্ণ প্ৰস্ফুতিত হৈ উঠি তাৰ শিপা গাঁৱে-ভূঞে, চহৰে-নগৰে বিয়পি পৰাৰ ক্ষেত্ৰত জ্ঞান যি বেদনাহীন ইণ্টাৰনেট আসক্তিক বুজন পৰিমানে দায়ী বুলি কব লাগিব।ইয়েই আমাৰ সমাজৰ পৰম্পৰাগত মূল্যবোধবোৰক কুঠাৰাঘাত কৰি এক বিজতৰীয়া, আমাৰ লগত খাপ নোখোৱা আৰু সকলো ক্ষেত্ৰতে পৰিত্যাজ্য এক সস্কৃতি পুলি পোখা মেলি জাতিস্কাৰ হৈ উঠাত ইন্ধন যোগাই আহিছে।ইণ্টাৰনেটে মেলি দিয়া এই ভোগবাদী প্ৰৱনতা আৰু চেতনাহীন আদৰ্শই আন এক ভয়ংকৰ সামাজিক ব্যধিৰ সৃষ্টি কৰিছে আৰু এতিয়া আমি প্ৰত্যক্ষ কৰিবলৈ লৈছো যে ক্ৰমান্বয়ে এক বৌদ্ধিক দীনতা বা অন্তঃসাৰ শূন্যতাই আমাৰ সমাজক কৰ্কট ৰোগৰ জীৱন অস্থিৰ আৰু অশান্ত কৰি তোলক, তাত কাৰ কি আহে যায়? এনে এক মানসিকতা আমাৰ অগ্ৰজসকলৰ বাবেওঁ মুঠেই কাম্য নহয়।সুস্থ চিন্তা-চৰ্চা, সত্ কৰ্ম আৰু সৃষ্টিশীল মানসিকতাইহে এখন সুস্থ সমাজৰ দিক্ নিৰ্ণয় কৰে। মাত্ৰ "মুখেন মাৰিতং জগত্"- এই আপ্তবাক্যষাৰ সাৰোগত কৰি থাকিলে পশ্চাৎগমনৰ পথহে ই মুকলি কৰে, কোনো সমস্যাৰ ইতিবাচক আৰু স্থায়ী সমাধানৰ পথ ই দেখুৱাব নোৱাৰে। অধ্যয়ন আৰু বৌদ্ধিক কচৰত্- এই দুয়োটাই প্ৰগতিশীল সমাজ এখনৰ মূল চালিকা শক্তি। অধ্যয়ন বিমুখিতা আৰু বৌদ্ধিক সাৰশূণ্যতাই সমাজত বিৰূপ প্ৰভাৱ পেলায় আৰু ই আমাৰ মগজুক বিপক্ষে পৰিচালিত কৰি সৃজনীশক্তি আৰু প্ৰতিভাৰ অপমৃত্যু বা অকালমৃত্যু ঘটায়। অতুলনীয় মেধাৰ গৰাকী আৰু সুস্থ মনোভাবাপন্ন,

সৃষ্টিশীল ভাবধাৰাৰ এচাম যুৱক যুৱতীয়ে সমাজ ৰূপান্তৰত ব্যাপক অৰিহনা যোগাব পাৰে। মোবাইল ফোনৰ প্ৰতি অনুৰক্ত বা আসক্তি যেনেকৈ ক্ষতিকাৰক, মোবাইল ফোনৰ নাম শুনিলেই বিচাই ডকাদি ডকা অভিভাৱকৰ মনোবৃত্তিও সমানেই ক্ষতিকাৰক। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আনি দিয়া মোবাইল ফোনৰ সুযোগ আৰু সুবিধা আমি নিশ্চিতভাৱে লব লাগিব। কিন্তু তাকে কৰিবলৈ যাওঁতে আমি আমাৰ নৈতিকতা বিসৰ্জন দিব নালাগিব।বিভিন্ন সংবাদ মাধ্যম, চচিয়েল মিডিয়া আৰু ব্যক্তিগত বহুতো অভিজ্ঞতাৰ আধাৰত এই কথা আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰিব যে মোবাইল ফোনে বহুতৰ সংসাৰত জুই লগাইছে, অনৈতিক আচৰণ, যৌন অপৰাধ, হত্যা, হিংসা আজি দ্ৰুত গতিত বাঢ়ি গৈছে। তাৰ তুলনাত যিটো হাৰত বৌদ্ধিক কৰ্ষণ আৰু সৃজনীশক্তিৰ উত্থান হব লাগিছিল সেইধৰনে হোৱা নাই।মোবাইল ফোনৰ অপব্যৱহাৰ আৰু অপপ্ৰয়োগৰ ফলস্বৰূপে এচাম উদণ্ড, উতনুৱা, গুৰুগোসাই নমনা আৰু জেষ্ঠজনৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন নকৰা তৰুণ-তৰুণীৰ সৃষ্টি হৈছে আৰু সিহঁতৰ বৌদ্ধিক বিকাশ কলিতে মৰহি যোৱাৰ উপক্ৰম হৈছে।আজি কিছুদিন আগলৈকে ইণ্টাৰনেটত সুলভ Blue Whale নামৰ খেলবিধত আসক্ত হৈ বহুতো কিশোৰ, যুৱক-যুৱতীয়ে চুইচাইড কৰিছিল। ইণ্টাৰনেটৰ ৰঙচঙীয়া জগতখন ইমানেই মোহনীয়া আৰু আকৰ্ষণীয় যে বহুতো যুৱক-যুৱতী, কিশোৰ-কিশোৰীয়ে আনকি মৃত্যুৰ আহ্বানো উপেক্ষা কৰিব পৰা নাই।ইয়াতকৈ ভয়াবহ অধঃপতন আন কি হব পাৰে।যিবিলাক মানুহৰ মৃত্যুভয় পৰ্যন্ত নাই তেওঁলোকে আন জঘন্য অপৰাধ কৰিবলৈ কুণ্ঠাবোধ কৰিব বুলি ভবাতো মূৰ্খৰ স্বৰ্গত বসতি স্থাপন কৰাৰ লেখীয়াই হব।এই লেখনিৰ দ্বাৰা মোবাইল ফোনৰ প্ৰচলন বা ব্যৱহাৰৰ বিৰোধিতা কৰিবলৈ বিচৰা নাই।

বৰঞ্চ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পৰম আশ্চৰ্য্যকৰ হাতৰ মুঠিতেই জগতখন ধৰি ৰাখিব পৰা এই সৰু যন্ত্ৰটি এতিয়া আমাৰ আটাইৰে আদৰৰ পাত্ৰ হৈ পৰিছে।কিন্তু ইয়াৰ সুষম আৰু মাৰ্জিত প্ৰয়োগেহে জৰুৰী কথা হৈ পৰিছে।এচাম ডেকা-গাভৰুৰ মাজত নিহিত হৈ থকা প্ৰচুৰ সম্ভাৱনা আৰু প্ৰতিবাদী সত্বা নিমিষতে জয় পৰি যাওঁক- এয়া আমাৰ কাম্য নহয়, বৰঞ্চ যুগৰ লগত খাপ খাই সমৃদ্ধি, বিকাশ আৰু জ্ঞান-অন্বেষণ প্ৰক্ৰিয়াত চামিল হৈ দেশ, জাতি আৰু সমাজৰ বাবে বৰঙণি যোগাই যাওঁক- তাক আমি অগ্ৰজসকলে অন্তঃকৰণেৰে আশা কৰো।সুস্থ সংস্কৃতি, আচাৰ-ব্যৱহাৰ আৰু সুস্থ মূল্যবোধৰ অভাৱ এতিয়াও ঘটা নাই।সমগ্ৰ মানৱজাতি লাদিলেই ডেকা-গাভৰুই হওঁক, আদবয়সীয়াই হওঁক, কিশোৰ-কিশোৰীয়েই হওঁক কিম্বা বৃদ্ধ-বৃদ্ধাই হওঁক - এই ক্ষেত্ৰত সাৱধান হোৱাৰ সময় সমাগত। বিশেষকৈ সন্তানে মোবাইল ফোন ব্যৱহাৰ (অপব্যৱহাৰ-?) কৰাৰ ক্ষেত্ৰত অভিভাৱকসকলে Friend, philosopherআৰু guide হৈ সিহঁতক নেতৃত্ব দিয়ক। বৌদ্ধিক অনুশীলনৰ ক্ষেত্ৰতো উপযুক্ত নেতৃত্ব প্ৰদান কৰি সিহঁতক আগবঢ়াই নিয়াত আমাৰ সকলোৰে এৰাব নোৱাৰা দায়িত্ব আছে। এক অনুকূল সামাজিক বাতাবৰণ সৃষ্টিত ব্যক্তিৰ লগতে সমাজ আৰু চৰকাৰৰো গধুৰ দায়িত্ব আছে।যুৱচামৰ মাজত থকা অফুৰন্ত শক্তি আৰু অদম্য সৃষ্টিশীলতা তেতিয়াহে জাগ্ৰত হব তেতিয়া সুস্থ আদৰ্শ আৰু বৌদ্ধিক কৰ্ষণৰ দ্বাৰা আমাৰ সমাজ আলোকিত হৈ পৰিব।

বৌদ্ধিক শূন্যতাই এখন সমাজৰ পশ্চাৎগমনৰ নিৰ্দেশ কৰে। আৰ্থিকভাৱে এখন সমাজ, এখন ৰাজ্য বা এটি অঞ্চল যিমানেই জাকতজিলিকা নহওঁক কিয়, বৌদ্ধিক বা মানসিকভাৱে যদি পঙ্গু হয়, সেইখন সমাজে কেতিয়াও নিজকে সভ্য বুলি চিনাকি দিব নোৱাৰে।বিবেকশূণ্য আৰু জৰাগ্ৰস্ত এচাম নিচাসক্ত আৰু অকল মোবাইল সৰ্বস্ব জীৱন এটিক আকোৱালিল'লেতাৰ ফল হিতে বিপৰীত হোৱাটো স্বাভাৱিক। সেয়েহে আমি আটায়ে এখন নিকা, স্বচ্ছআৰু পৰিচ্ছন্ন সমাজ গঠনত অহোপুৰুষাৰ্থ কৰাতো সময়ৰ আহ্বান। আহক আমি ডেকা-বুঢ়া, আদ-বয়সীয়া, কিশোৰ-কিশোৰী আৰু বৃদ্ধ-বৃদ্ধাসকলে পণ লওঁ- মোবাইল বা এনড্ৰইদ ফোনে আমাক নচলাওঁক, আমিহে এই দূৰভাষ যন্ত্ৰটি সুচিন্তিত ভাৱে চলাই আমাৰ জীৱন পৰিচালিত কৰোঁহক। ■

*লেখক বৰভাগ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক*

# হিউমেন এনাটমী এণ্ড ফিজিঅ'লজি

## (মানৱ শৰীৰৰ চমু আভাষ)

✍ সুস্মিতা দেৱী



আমাৰ শৰীৰৰ প্ৰতিটো অংগ আৰু প্ৰত্যঙ্গৰ গঠনপ্ৰণালী আৰু ইটোৰ সৈতে সিটোৰ সম্পৰ্কৰ বিষয়ে চিকিৎসাবিজ্ঞানৰ যিটো শাখাত বিতং ভাবে আলোচনা কৰা হয়, তাকে এনাটমী বোলা হয়। উদাহৰণস্বৰূপে হৃদযন্ত্ৰৰ কথাকে আমি ধৰি লব পাৰো। হৃদযন্ত্ৰটো দেখিবলৈ কেনেকুৱা, তাৰ আকাৰ আয়তন, ওজন, কেনেকুৱা কলাৰে ই গঠিত, যিবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কোষেৰে ই গঠিত সেইবোৰৰ চৰিত্ৰ কি, ইয়াৰ কেইটা কোঠালি আছে, কি কি ধমণি, শিৰা বা স্নায়ু হৃদযন্ত্ৰৰ সৈতে জড়িত, হৃদযন্ত্ৰৰ সৈতে ওচৰৰ অন্য অংগ যেনে হাওঁফাওঁ, স্বাক্ষনলী বা tracia, খাদ্যনলীৰ অংগ যেনে ইচফেগছ, মধ্যছড়া, বক্ষস্থলৰ বেৰৰ কামিহাৰ, বুকুৰ হাড়, আৰু সেইবোৰৰ সৈতে সংলগ্ন মাংসপেশী, আদিৰ সম্পৰ্ক কি ইত্যাদি বিষয়সমূহ এনাটমীত খৰচি মাৰি আলোচনা কৰা হয়।

অকল সেইয়াই নহয়, মাতৃগৰ্ভত ভ্ৰূণ হিচাপে স্থিতি লাভ কৰি ভূমিষ্ঠ হোৱালৈকে মানব দেহৰ বিকাশ সম্পৰ্কীয় সকলো দিশকেই এনাটমীত বিতংভাৱে আলোচনা কৰা হয়। ইয়াকেই কোৱা হয় ভ্ৰূণতত্ত্ব।

তদুপৰি মানুহৰ বিৱৰ্তন (Evolution of Man) আৰু বংশগতি তত্ত্বৰ অধ্যয়নো হৈছে এনাটমীৰ অন্যতম বিষয়বস্তু।

ইয়াৰ পৰা বুজিব পৰা যায় যে এনাটমী ৰ জ্ঞান অবিহনে চিকিৎসা বিজ্ঞানৰ জ্ঞান আহৰণ কৰা একেবাৰে অসম্ভৱ কথা। মানৱ শৰীৰৰ অতি সূক্ষ্ম দিশসমূহ নতুন নতুনকৈ আৱিস্কৃত হৈয়ে আছে। তাৰ ফলত চিকিৎসা বিজ্ঞানত সদায়ে ন ন তথ্য সংযোজিত হৈ আছে। সেয়েহে কব যায় যে এনাটমী হ'ল চিকিৎসা বিজ্ঞানৰ বিশাল বোৱতী নৈখনৰ একমাত্ৰ মূল ঘাট।

আনহাতে চিকিৎসা বিজ্ঞানৰ যিটো শাখাত শৰীৰৰ বিভিন্ন অংগ প্ৰত্যঙ্গ বা তন্ত্ৰসমূহৰ ক্ৰিয়া প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰা হয় তাকেই ফিজিঅ'লজি বোলা হয়। যেনে - ৰক্ত পৰিবহণ তন্ত্ৰ আদি। ইয়াত হৃদযন্ত্ৰই বিশুদ্ধ তেজ কেনেকৈ শৰীৰৰ বিভিন্ন স্থানলৈ পাম্প কৰি পঠিয়াই আৰু বিভিন্ন স্থানৰ পৰা কেনেকৈ অপৰিষ্কাৰ তেজ হৃদযন্ত্ৰলৈ ঘূৰি আহি তাৰ পৰা হাঁওফাঁও গৈ পুনৰ পৰিশোধিত হয়, এই গোটেই প্ৰক্ৰিয়াটোত তেজৰ চাপ বা Blood Pressure কত কিদৰে নিয়ন্ত্ৰিত হয় ইত্যাদি বিষয় সমূহ চিকিৎসা বিজ্ঞানৰ ফিজিঅ'লজি নামৰ শাখাটোতে বিতংকৈ অধ্যয়ন কৰা হয়।

### এনাটমীৰ বিভিন্ন ভাগসমূহঃ

পদ্ধতিগতভাৱে অধ্যয়নৰ সুবিধাৰ বাবে এনাটমী বিষয়টো কেবাটাও বিভাগত ভাগ কৰি অধ্যয়ন কৰা হয়। আমি জানো যে দেহৰ প্ৰতিটো অংগৰ কামকাজ সুকীয়া। যেনে-

১) কোষবিদ্যা
২) কলাবিদ্যা
৩) পেশীবিদ্যা
৪) চৰ্মতন্ত্ৰ
৫) অস্থিবিদ্যা

৬) খাদ্যনলীতন্ত্র

৭) শ্বাসতন্ত্র

৮) ৰক্তপৰিবহণতন্ত্র


৯) স্নায়ুতন্ত্র

১০) প্রজননতন্ত্র

তদুপৰি ভ্ৰূণতত্ত্ব, বংশগতিবিদ্যা, দেহপৃষ্ঠৰ আধাৰত এনাটমীৰ অধ্যয়ন, Ultrasound, M.R.I., X-RAY, C.T. SCAN আদিৰ অধ্যয়ন (Radiological Anatomy) আদি বিষয়সমূহ এনাটমীৰ অংশ।

## ফিজিঅ'লজিৰ বিভিন্ন ভাগসমূহঃ

এনাটমীৰ অধ্যয়নত যিবোৰ বিষয় বা তন্ত্ৰৰ কথা উল্লেখ কৰা হৈছে সেই প্ৰাইবোৰৰেই কাম-কাজ সমূহ ফিজিঅ'লজিৰ জৰিয়তে বিভিন্ন ধৰণে পুংখানুপুংখভাবে আলোচনা কৰা হয়।



যেতিয়া আমি শৰীৰৰ বিভিন্ন অংগ প্ৰত্যঙ্গ, সিৰা-উপশিৰা ইত্যাদিৰ বিষয়ে অধ্যয়ন কৰোঁ তেতিয়া সিবোৰৰ নিজৰ অৱস্থান আৰু আন আন অংগ প্ৰত্যঙ্গৰ সৈতে সম্পৰ্কৰ বিষয়টো অধিক স্পষ্ট আৰু বিভ্ৰান্তিমুক্ত কৰিবলৈ কিছুমান বিশেষ শব্দ ব্যৱহাৰ কৰো। এনে বৰ্ণনাৰ সহায়ত শৰীৰটো এটা বিশেষ অৱস্থানত থকা বুলি ধৰা হয়। তাকেই কোৱা হয় Anatomical position.

আমাৰ দেহৰ গঠন আৰু তাৰ বিভিন্ন ক্ৰিয়াকাণ্ডৰ মূল আধাৰ হল কোষ। এই কোষ নামৰ অগণন খালি চকুৰে মানিব নোৱাৰা সূক্ষ্ম অথচ জীৱন্ত একক গোটৰ সমষ্টিয়ে মানৱ দেহতো গঠন কৰে। কোষসমূহ প্ৰটপ্লাজম নামৰ জেলীৰ দৰে জীৱিত পদাৰ্থৰে গঠিত। প্ৰটপ্লাজমখিনি কোষাবৰণ নামৰ এখন পাতল আবৰণেৰে আবৃত হৈ থাকে। কোষটোৰ কেন্দ্ৰত আপেক্ষিকভাৱে ডাঠ পদাৰ্থৰে গঠিত এটি কোষকেন্দ্ৰ বা নিউক্লিয়াছ থাকে।

আকাৰত কোষবোৰ বেলেগ বেলেগ হয়। স্তন্যপায়ী প্ৰাণীৰ ক্ষেত্ৰত বেছিভাগ পক্ষেই আকাৰত ৫-৫০ মাইক্ৰমিটাৰৰ ভিতৰত হয়। পূৰঠ ডিম্বকোষ এটা যথেষ্ট ডাঙৰ, প্ৰায় ৮০-১২০ মাইক্ৰণ। কোষসমূহ বিভিন্ন ধৰণে সংগঠিত হৈ বিভিন্ন অংগ তথা অংগতন্ত্ৰ গঠিত হৈছে।কিন্তু এই অংগতন্ত্ৰসমূহ গঠিত হোৱাৰ আগতে একে চৰিত্ৰবিশিষ্ট কোষসমূহ যাৰ কামকাজ একে, একেলগ হৈ একো একোটা বিশেষধৰণৰ কাম সম্পাদনা কৰা গোট কিছুমান গঠন কৰে। এই কোষসমষ্টিকে Tissue বা কলা বোলা হয়। কোষসমূহৰ গঠন আৰু কামকাজৰ ধৰণ অনুযায়ী কলাসমূহক মূলতঃ চাৰিটা শাৰীত ভগাব পাৰি –

১) আবৰণী কলা

২) সংযোজক কলা

৩) পেশীয় কলা

৪) স্নায়ু কলা

কেবাটাও অংগ একেলগ হৈ শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়াত জড়িত বিভিন্ন কাৰ্য্যাৱলী সম্পাদন কৰে আৰু এই অংগসমূহৰ সমষ্টিটোকেই কোৱা হয় শ্বাসতন্ত্ৰ। শ্বাসতন্ত্ৰই উশাহৰ জৰিয়তে বায়ুৰ অক্সিজেন শৰীৰৰ তেজলৈ বিয়পাই দিয়ে আৰু তেজৰ পৰা কাৰ্বন-ডাই-অক্সাইড গেছ নিশাহৰ জৰিয়তে বাহিৰৰ পৰিবেশলৈ উলিয়াই দিয়ে। অৰ্থাৎ উশাহ আৰু নিশাহ দুয়োটাই হ'ল এই তন্ত্ৰৰ মূল কাম। শ্বাসতন্ত্ৰৰ গঠনত ভাগ লোৱা বিভিন্ন অঙ্গসমূহ হল - নাক, ফিৰিংছ, শ্বৰ্যন্তৰ আৰু ট্ৰেকীয়া।

চকুৰ ধমনীৰ শাখা সন্মুখ আৰু পশ্চাৎ ইথময়ডেল ধমনী, মেক্সিলাৰী ধমনীৰ শাখা স্ফেন'পেলাটাইন আৰু বৃহৎ পেলাটাইন ধমনী, মুখমণ্ডলীয় বা ফেচিয়েল ধমনীৰ শাখা উৰ্ধ ওষ্ঠ ধমনীৰ নাসিকা পট শাখা, এণ্টাৰিয়ৰ চুপেৰিয়ৰ আৰু প'ষ্টেৰিয়ৰ চুপেৰিয়ৰ এলভিওলাৰ শাখা আৰু ফেৰিংছলৈ যোৱা শাখা আদি ধমনীয়ে নাকৰ ভিতৰভাগ আৰু নাসিকা পটক তেজৰ যোগান ধৰে। ■

*স্নাতক দ্বিতীয় বৰ্ষ*



# Ayurveda

## ORIGIN, DEVELOPMENT AND LEGACY

✍ Mrs. Namita Devi

World health organisation treats Ayurveda as a alternative system of medicine/complementary medicine. Ayurveda is the oldest system of life science developed in India and has great legacy towards the medical science, human health care and life knowledge. Archaeological and modern genetic evidence suggested that human population have migrated into India since prehistoric times. The knowledge of medicinal value of plants and their usage are traced back to the earliest settlers. That knowledge has come down to the modern period through trial and error method from generation to generation, which may be called as traditional medicine and health care system and among them one of the most well accepted and used, ancient health care system is Ayurvedic system. In this paper, it is tried to trace the origin, development and health care legacy of Ayurveda with historical and descriptive study method. It is not from the medical perspective, rather it aims to trace the historical antiquity of the system, its position and condition in different historical ages and what is its preliminary concept and ideas which could be regarded as great legacy for the future development of this health care system. The study is based on secondary sources, basically history books of ancient India, research articlesof website resources related to Ayurveda. The origin or antiquity of Ayurveda, the position and condition of Ayurveda in a historical perspective and the basic concept on which a full fledging subject of medicine emerged, are tried to discuss in this paper.

### Origin and Antiquity:

Ayurveda is a Sanskrit term means 'knowledge of longevity'. The word Ayurveda derived from the word 'Ayus' means life or life principles and the Veda refer to a system of 'Knowledge'. Ayurveda is concerned with 'measures to protect 'Ayus' which includes healthy living along with therapeutic measures that relates to physical mental, social and spiritual harmony.

To trace out the origin of this branch of knowledge we have to base on Vedic literature, mythological and religious stories and on some historical evidence.

There is a lot of controversy regarding the mythological or religious origin of Ayurveda. Somewhere it is described that the knowledge of Ayurveda is descended from Lord Brahma, one of the ultimate Hindu god. "Brahma taught it to Daksha Prajapati, then to Indra and from Indra to Bharadaja."Bharadaja taughtit tosome sages. Again there is another myth that Dhanantari, the son of Brahma returned to surface during the churning of ocean by Vishnu and founded Ayurveda. He is believed to attain optimal health by listening to god and then he taught this information to mortal sages. From this point we find the historical beginning of Ayurveda. The historical origin of Ayurveda is traced back to the Vedic literature. Ayurveda is one part of Vedic literature which is a sacred literature of the Aryans. It is the 'oldest literary works not only of the Indo-Aryans, but of the entire Aryan group known as Indo-Germans'.The word Veda means 'Knowledge' i.e. the sacred, spiritual knowledge. But it is not signifying either any individual literary work such as 'Koran' or a collection of definite number books arranged at a particular time, like 'Bible' orthe 'Tripitaka'. Vedas are mass of literature to generation. It constituted three successive classes of

literary production, to which belonged a number of single works, some of which still exist and many have completely disappeared. They are –

Samhitas or Mantras—the collections of Hymns, prayers, charns, and sacrifial practices.

Brahmanas—the prose texts contains speculations on the meaning of hymns, perception for their application, relates stories of their origin and explain the secret meaning of the later.

Aranyakas and Upanisads—a separate work embodied philosophical meditations of the hermits' ascetics on soul, god, world and man.

There are large number of Samhitas, but many of them are only different recantations of one or the same Samhita. However four among them are prominent such as Rigveda, Atharvaveda, Samveda, and Yjurveda. The Brahmanas , Aranyakas and Upanisads is attached to one or other of these Samhitas. There is another category known as Vedangas which are subject specific and are essential for the study of Veda. Among all these there is another class of literature called Upaveda or subsidiary Veda and Ayurveda belongs to this category. The first reference of Ayurveda is found in Atharvaveda from that onwards period after period many scholar of Veda systematised, compiled and enlarged this system of knowledge and carried its legacy up to the modern period. An analysis on the chronological development of Ayurveda will clarify it.



## Development of Ayurveda through the Ages:

